পঞ্চম অধ্যায়

# অপৰাধ প্ৰৱণতা
# (Delinquency)

- অপৰাধ প্ৰৱণতাৰ অৰ্থ, প্ৰকৃতি আৰু প্ৰকাৰবোৰ (**Meaning, Nature and Types of Delinquency)**
- অপৰাধ প্ৰৱণতাৰ কাৰণ-জৈৱিক, মনোবৈজ্ঞানিক আৰু সামাজিক (**Causes of Delinquency-Biological, Psychological and Sociological)**
- অপৰাধ প্ৰৱণতাৰ প্ৰতিকাৰত বিদ্যালয়, পৰিয়াল আৰু সমাজৰ ভূমিকা (**Role of School, Family and Society in Preventing Delinquency)**
- মাদক দ্ৰব্য আসক্তিৰ প্ৰতিকাৰ আৰু নিয়ন্ত্ৰণ (**Prevention and Control of Durg Addiction)**

## প্ৰস্তাৱনা (Introduction)

শিশুসকলক ভগৱানৰ আৰ্শীবাদ তথা ব্যক্তিগত আৰু জাতীয় সম্পদস্বৰূপে গণ্য কৰা হয়। ব্যক্তি, পিতৃ-মাতৃ, অভিভাৱক আৰু সমাজ হিচাপে সকলোৰে দায়িত্ব হ'ল সুস্থ সামাজিক আৰু সাংস্কৃতিক পৰিৱেশতে শিশুসকলৰ বৰ্ধনৰ বাবে প্ৰয়োজনীয় সুযোগ আৰু সুবিধা প্ৰদান কৰা যাতে ইয়াৰ যোগেদি তেওঁলোকে নিজক দায়িত্বশীল নাগৰিক, দৈহিকভাৱে সুস্থ, মানসিকভাৱে সতেজ আৰু নৈতিকভাৱে সবল কৰি তুলিব পাৰে। বৰ্ধনৰ স্তৰত সকলো শিশুকে বিকাশৰ বাবে সুযোগ প্ৰদান কৰাটো প্ৰত্যেক দেশৰে প্ৰধান দায়িত্ব আৰু ইয়াৰ যোগেদি অসমানতা নোহোৱা কৰিব পাৰি আৰু সামাজিক ন্যায় বৃদ্ধি কৰিব পাৰি। শিশুসকলক অমায়িক, দায়িত্বশীল আৰু ভাল গুণৰ গৰাকী হোৱাৰ আশা কৰা হয়। কিন্তু বিভিন্ন কাৰণৰ বাবে কিছু সংখ্যক শিশুৱে সমাজ আৰু আইনৰ নীতি-নিয়ম অনুসৰণ কৰিবলৈ

অপাৰগ হয়। এই শিশুসকলে ব্যক্তিগত আৰু সামাজিক জীৱনত সমাজ আৰু আইন বহির্ভূত কেতবোৰ কার্য কৰা দেখা যায় যাক অপৰাধ প্ৰৱণতা বোলা হয়। অপৰাধ প্ৰৱণতাৰ সমস্যা নতুন নহয়। প্ৰাচীন কালতো ইয়াৰ প্ৰচলন আছিল। মহাগ্ৰন্থ মহাভাৰততো ইয়াৰ উদাহৰণ পোৱা যায়। দুৰ্যোধনে বিষপান কৰাই ভীমৰ সকলো শক্তি নোহোৱা কৰাৰ পৰিকল্পনা কৰিছিল কিন্তু সফল হ'ব পৰা নাছিল। এই উদাহৰণে অপৰাধ প্ৰৱণতাৰ কথা সূচালেও সেই সময়ত ইয়াৰ প্ৰচলন অতি কম আছিল। সেই সময়ৰ সমাজ ব্যৱস্থা অতি শক্তিশালী আছিল আৰু অসামাজিক কার্য সম্পাদনাৰ পৰিসৰ কম আছিল। ভাৰতবৰ্ষৰ দৰে বিকাশশীল দেশত অপৰাধ প্ৰৱণতা সমস্যা লাহে লাহে বাঢ়ি আহিছে। ২০১৪ চনত IPC ৰ তথ্য অনুসৰি ১৮ বছৰৰ তলত অপৰাধ সম্পাদন কৰা ৩৩,৫২৫ টা কেছ পঞ্জীয়ন কৰা হৈছে। আমাৰ দেশত কিশোৰ-কিশোৰীসকলে অপৰাধ প্ৰৱণতা আৰু ইয়াৰ লগত জড়িত বিভিন্ন দিশৰ বিষয়ে জনাটো প্ৰয়োজনীয়।

## অপৰাধ প্ৰৱণতাৰ অৰ্থ (Meaning of Delinquency) :

অপৰাধ প্ৰৱণতাৰ ইংৰাজী প্ৰতিশব্দ 'delinquency' লেটিন ভাষাৰ 'delinquere' শব্দৰ পৰা শব্দৰ পৰা উৎপত্তি হোৱা বুলি ক'ব পাৰি যাৰ অৰ্থ হ'ল 'de' অৰ্থাৎ আঁতৰত বা নিলগত থকা। প্ৰাৰম্ভিক অৱস্থাত যি সকল অভিভাৱকে নিজৰ শিশুক অৱহেলা কৰে আৰু এৰি দিয়ে সেই পিতৃ-মাতৃক বুজাবৰ বাবে অপৰাধ প্ৰৱণতা শব্দৰ প্ৰয়োগ কৰা হৈছিল। কিন্তু বৰ্তমান সময়ত এই শব্দই সেইসকল ল'ৰা-ছোৱালীক বুজায় যিসকল বেআইনী আৰু ক্ষতিকাৰক কাৰ্যৰ লগত জড়িত।

বৰ্তমান সমাজৰ এক জটিল সমস্যা হ'ল অপৰাধ প্ৰৱণতা। সাধাৰণতে সমাজৰ দ্বাৰা অনুমোদিত প্ৰথা, পৰম্পৰা আৰু আইন উলংঘা কৰা সকলো মানুহকেই অপৰাধী বুলি গণ্য কৰা হয়। সাধাৰণ দৃষ্টিকোণেৰে বিবেচনা কৰিলে অপৰাধ আৰু অপৰাধ প্ৰৱণতাৰ মাজত বিশেষ পাৰ্থক্য দেখা নাযায় কিন্তু বাস্তৱত অপৰাধী আৰু অপৰাধ প্ৰৱণ ব্যক্তিৰ দেখা নাযায় কিন্তু বাস্তৱত অপৰাধী আৰু অপৰাধ প্ৰৱণ ব্যক্তিৰ মাজত পাৰ্থক্য আছে। সমাজৰ অনুমোদিত আইন ভংগ কৰা ব্যক্তিজনৰ বয়সৰ ওপৰত নিৰ্ভৰ কৰি ইয়াৰ পাৰ্থক্য নিৰূপণ কৰা হয়। দেশ অনুযায়ী এই বয়সৰ সীমা পৃথক পৃথক হোৱা দেখা যায়। আমাৰ দেশত ইংৰাজসকলৰ দ্বাৰা প্ৰচলিত আইন অনুসৰি ৭ বছৰৰ তলৰ শিশুৱে আইন ভংগ কৰিলে তাক অপৰাধ হিচাপে গণ্য কৰা নহয়। এই আইন অনুসৰি এই বয়সৰ শিশুৱে অপৰাধ সংঘটিত কৰিব নোৱাৰে। পিছলৈ বয়সৰ এই সীমা ১২ বছৰ আৰু ১৬ বছৰলৈ বৃদ্ধি কৰা হৈছিল। বৰ্তমান সময়ত এই বয়সৰ সীমা ১৮ বছৰ ধাৰ্য কৰা হৈছে। ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালী সাধাৰণতে সমাজৰ প্ৰচলিত প্ৰতিমান আৰু আইন সম্পৰ্কে সম্পূৰ্ণ জ্ঞাত নহয় কিন্তু সকলো অপৰাধীয়ে কোনো কাৰ্যৰ ভুল আৰু শুদ্ধ সম্পৰ্কে জনাটো প্ৰয়োজনীয়। এই ক্ষেত্ৰত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীয়ে

নিজস্ব বিচাৰ বিচক্ষণতাৰে এইবোৰৰ বিষয়ে জানিব নোৱাৰে। কৈশোৰ অৱস্থাত আত্মসত্তাৰ বিকাশৰ প্ৰক্ৰিয়া চলিহে থাকে। অভিজ্ঞতাৰে নিজৰ আত্মসত্তাৰ লগতে সামাজিক সত্তাৰ বিকাশ লাভ কৰাৰ ক্ষেত্ৰত কিশোৰ-কিশোৰীসকল পূৰ্ণ পৰ্যায়ত পৰিপক্ব হ'বলৈ কিছু বাকী থাকে। সেয়েহে কিশোৰ-কিশোৰীসকলে আইন ভংগ কৰাটোক অপৰাধ হিচাপে গণ্য নকৰি অপৰাধ প্ৰৱণতা হিচাপে আখ্যা দিয়া হয়। অপৰাধ প্ৰৱণতাৰ অৰ্থ প্ৰদান কৰি ক'ব পাৰি যে **কোনো এজন শিশুৰ অসামাজিক আৰু বেআইনী কাৰ্য কৰাৰ প্ৰৱণতাই যেতিয়া সমাজত আৰু আইনৰ চকুত দোষী হিচাপে গণ্য হৈ চৰকাৰী ব্যৱস্থা গ্ৰহণৰ বিষয় হয়, তেনে শিশুকেই অপৰাধ প্ৰৱণ শিশু আৰু মতবাদটোক অপৰাধ প্ৰৱণতা বোলা হয়।** এই সংজ্ঞাত উল্লেখিত চৰকাৰী ব্যৱস্থা স্বৰূপে পৃথিৱীৰ সকলো দেশতে শিশুৰ দ্বাৰা সংঘটিত অপৰাধ সংশোধন কৰি শিশুসকলক সমাজৰ মূল পথলৈ ঘূৰাই অনাৰ প্ৰয়াসেৰে বিভিন্ন সংস্কাৰমূলক অনুষ্ঠান প্ৰতিষ্ঠা কৰিছে। এনে কেতবোৰ অনুষ্ঠান হ'ল কিশোৰ আদালত (Juvenile Court), ৰেমণ্ড গৃহ (Remand Home), অনুমোদিত বিদ্যালয় (Certified Schools), সংশোধীকৰণ বিদ্যালয় (Reformatory School) আদি।

অপৰাধ প্ৰৱণতা শব্দটোৰ অৰ্থ হ'ল যে ব্যক্তিয়ে সমাজৰ সাধাৰণ আচৰণৰ পৰা নিজকে আঁতৰাই ৰাখে আৰু অসামাজিক কামত নিজকে লিপ্ত কৰায়। প্ৰত্যেক ব্যক্তিয়ে সমাজত কিছুমান অধিকাৰ ভোগ কৰে আৰু তাৰ বিনিময়ত তেওঁলোকে সমাজত প্ৰচলিত ব্যৱস্থাৰ লগত সংগতি ৰাখি কিছুমান কাৰ্য আৰু দায়িত্ব পালন কৰিব লাগে। কিন্তু এনে কৰাৰ বিপৰীতে কোনো ব্যক্তিয়ে যদি অধিকাৰ ভোগ কৰি উঠি দায়িত্ব পালন নকৰে আৰু সমাজৰ নীতি নিয়ম ভংগ কৰে তেনে ব্যক্তিৰ আচৰণক অসামাজিক বুলি কোৱা হয়। তেনে ব্যক্তিৰ আচৰণকে অপৰাধ প্ৰৱণতা বুলি কোৱা হয়। মনোবৈজ্ঞানিক হেডফিল্ডৰ (Had Field) মতে, "অপৰাধ প্ৰৱণতাক এক অসামাজিক আচৰণ বুলিব পাৰি" (Delinquency may be defined as anti-social behaviour)।

অপৰাধ প্ৰৱণতা সাধাৰণতে কৈশোৰ কালৰ পৰা ল'ৰা-ছোৱালীৰ আচৰণত বেছিকৈ পৰিলক্ষিত হয়। কৈশোৰ কালছোৱাত সাধাৰণতে ল'ৰা-ছোৱালীবোৰৰ দেহ-মানসিক প্ৰয়োজনবোৰ সলনি হয় আৰু এই প্ৰয়োজনবোৰ পূৰণ কৰিবলৈ ব্যৰ্থ হ'লে তেওঁলোক অসামাজিক কামত লিপ্ত হোৱা দেখা যায়। ১৮ বছৰ বা তাতকৈ কম বয়সৰ ল'ৰা-ছোৱালীবোৰে কৰা এনে অপৰাধক কৈশোৰ অপৰাধ প্ৰৱণতা (Juvenile Delinquency) বুলি কোৱা হয়। অপৰাধ প্ৰৱণতাৰ ক্ষেত্ৰত আমি এটা মন্তব্য কৰিব পাৰো যে, "আমি অপৰাধক ঘিণ কৰিব লাগে, অপৰাধীক নহয়" (We should hate the crime and not the criminals)।

## অপৰাধ প্ৰৱণতাৰ সংজ্ঞা (Definitions of Deflinquency)

বিভিন্ন সমাজবিজ্ঞানী আৰু আইনবিদসকলে অপৰাধ প্ৰৱণতাক তলত দিয়া ধৰণেৰে সংজ্ঞায়িত কৰিছে।

১। ক'লেমেন (Coleman) ৰ মতে, "১৮ বছৰৰ তলৰ যুৱক-যুৱতী সমাজে গ্ৰহণ নকৰা আচৰণকে অপৰাধ প্ৰৱণতা বোলা হয় আৰু ই সাধাৰণতে তিৰস্কাৰ কৰা, শাস্তি প্ৰদান কৰা কাৰ্যৰ সংশোধন কৰা কেতবোৰ দিশৰ লগত সম্বন্ধিত" (Delinquency refers to behaviour of youths under 18 years of age which is not acceptable to society and it generally regarded as calling of some kind of admonishment, punishmen or corrective actions)।

২। চিৰিল বাৰ্ট (Cyril Burt) ৰ মতে, "কোনো এগৰাকী শিশুৰ অসামাজিক কাৰ্য কৰাৰ প্ৰৱণতাই সমাজত যেতিয়া দোষী হিচাপে গণ্য হৈ চৰকাৰী ব্যৱস্থা গ্ৰহণৰ বিষয় হয়, তাক অপৰাধ প্ৰৱণতা বোলা হয়" (Delinquency is occuring in a child when his antisocial tendencies appear so grave that he becomes or ought to become the subject of official action)।

৩। অপৰাধ নিৰাময় আৰু অপৰাধী নিয়ন্ত্ৰণৰ দ্বিতীয় ৰাষ্ট্ৰসংঘৰ সন্মিলন (The Second United Nations Congress on the Prevention of Crime and Treatment of Offenders ) অনুসৰি, "অপৰাধ প্ৰৱণতা মানে হ'ল এক কাৰ্যৰ সমষ্টি যি কাৰ্য প্ৰাপ্তবয়স্ক ব্যক্তিয়ে সম্পাদিত কৰিলে অপৰাধ বুলি গণ্য কৰা হয়" (By juvenile delinquency should be understood the commission of an act which, if committed by an adult, would be considered a crime)।

৪। ফ্ৰাইডলেন্দাৰ (Friedlander) ৰ মত অনুসৰি, "অপৰাধ প্ৰৱণতা হ'ল কিশোৰৰ অপকৰ্ম যিবোৰ আইনৰ দৃষ্টিকোণেৰে বিচাৰ কৰা হয়" (Delinquency is a juvenile misconduct that might be dealt with under the law)।

৫। ড° চেটনা (Dr. Sethna) ৰ মতে, "স্থান অনুসৰি প্ৰচলিত আইনৰ দ্বাৰা নিৰ্ধাৰিত বয়সৰ তলৰ শিশু বা যুৱকে সমাজত কৰা দোষী কাৰ্যৰ লগত কিশোৰ অপৰাধ প্ৰৱণতা জড়িত" [Juvenile delinquency involves wrong doing by a child or a young person who is under on age specified by the law (for the time being in force) of the place concerned]।

৬। চি. বি. মেম'ৰিয়া (C. B. Mamoria) ৰ মতে, "কিশোৰ অপৰাধ প্ৰৱণতা বাক্যাংশৰ প্ৰয়োগ কৰা হয় শিশুৰ যিকোনো প্ৰকাৰৰ বিচলিত আচৰণক সামৰি লয় যিয়ে আদৰ্শগত নীতি, সামাজিক ব্যৱস্থাৰ বোধ বা আকাংক্ষাৰ বিৰুদ্ধাচাৰণ কৰে" (The phrase 'Juvenile Delinquency' may be loosely used to cover any kind of deviant behaviour of children which violets normative rules, understanding or expectations of social system)।

৭। ক'মাৰ (Comer) ৰ মতে, কিশোৰ অপৰাধ প্ৰৱণ "শিশুসকলৰ বয়স ৮ ৰ পৰা ১৮ ৰ ভিতৰত হয় যিয়ে আইন ভংগ কৰে" (Juvenile delinquent as 'children between the ages of 8 and 18 who break the law)।

৮। নিউমেয়েৰ (Newmeyer) ৰ মতে, "অপৰাধ প্ৰৱণ হ'ল নিৰ্দিষ্ট বয়সৰ ভিতৰৰ এজন ব্যক্তি যি অসামাজিক কৰ্মৰ বাবে দোষী আৰু যাৰ অপকাৰ্য আইনৰদ্বাৰা উলংঘিত" (A delinquent is a person under ago who is guilty of anti-social act and whose misconduct is an infraction of law.)।

৯। চাৰাচন আৰু চাৰাচন (Sarason and Sarason) ৰ দৃষ্টিভংগীত, "অপৰাধ প্ৰৱণতা হ'ল শিশু আৰু কিশোৰ-কিশোৰীৰ (ব্যক্তিৰ বয়স ১৮ বছৰ বা তাতকৈ তলৰ) দ্বাৰা আইন উলংঘিত কাৰ্য" (Juenvile delinguency is violations of the law committed by children and adolescents (usually defined as persons 18 years of age or younger)।

১০। হেডফিল্ড (Comer) ৰ দৃষ্টিভংগীত, "অপৰাধ প্ৰৱণতাক এক অসামাজিক আচৰণ বুলিব পাৰি" (Delinquency may be defined as anti-social behaviour)।

এই সংজ্ঞাবোৰ বিশ্লেষণ কৰি অপৰাধ প্ৰৱণতাক সংজ্ঞায়িত কৰি ক'ব পাৰি যে **"অপৰাধ প্ৰৱণতা হ'ল এক নিৰ্দিষ্ট বয়স সীমাৰ তলৰ কিশোৰ-কিশোৰীয়ে সম্পাদন কৰা অসাধাৰণ বা অসামাজিক কাৰ্যৰ লগত জড়িত আচৰণৰ সমষ্টি"।**

## অপৰাধ প্ৰৱণতাৰ প্ৰকৃতি (Nature of Delinquency) :

অপৰাধ প্ৰৱণতাৰ প্ৰকৃতিৰ বিষয়ে আলোচনা কৰাৰ বাবে তলত দিয়া বৈশিষ্ট্যবোৰ বিচাৰ কৰি চোৱাটো বাঞ্ছনীয়।

১। অপৰাধ প্ৰৱণতা হ'ল এক সামাজিক ব্যাধি য'ত ব্যক্তিয়ে অসামাজিক আৰু বেআইনী কাৰ্যৰ লগত জড়িত হোৱা দেখা যায়।

২। অপৰাধ প্ৰৱণতাৰ লগত জড়িত ব্যক্তিসকলৰ বয়স ১৮ বছৰ বা তাৰ তলৰ হয়। অৰ্থাৎ শিশু আৰু কিশোৰ-কিশোৰীসকলে কৰা বেআইনী কাৰ্য কলাপ ইয়াৰ অন্তৰ্গত।

৩। বয়স আৰু আচৰণৰ দিশেৰে অপৰাধ প্ৰৱল ব্যক্তিসকল অপৰিপক্ক আৰু অনভিজ্ঞ হয়।

৪। অপৰাধ প্ৰৱণতাৰ হাৰ ল'ৰাৰ তুলনাত ছোৱালীৰ মাজত কম হোৱা দেখা যায়। অৰ্থাৎ ল'ৰাৰ তুলনাত বেআইনী আৰু অসামাজিক কাৰ্য কৰা ছোৱালীৰ সংখ্যা কম।

৫। সাধাৰণতে আগতীয়া কৈশোৰ কাল (১২-১৬ বছৰৰ) ৰ কিশোৰ-কিশোৰীৰ মাজত অপৰাধ প্ৰৱণ কাৰ্যৰ লগত জড়িত হোৱাৰ পৰিমান অধিক দেখিবলৈ পোৱা যায়।

৬। গ্ৰামাঞ্চলৰ তুলনাত চহৰ অঞ্চলবোৰত অপৰাধ প্ৰৱণতাৰ হাৰ অধিক হোৱা দেখা যায়। উদাহৰণস্বৰূপে আমাৰ দেশত মুম্বাই, নতুন দিল্লী, কলকতা, হায়দৰাবাদ, আহমেদাবাদ, বেংগোলোৰ আদি ডাঙৰ ডাঙৰ মহানগৰবোৰত অপৰাধ প্ৰৱণ কাৰ্য বেছিকৈ দেখিবলৈ পোৱা যায়। সৰু চহৰ আৰু গ্ৰামাঞ্চলত ইয়াৰ পৰিমাণ কম।

৭। অপৰাধ প্ৰৱণতাত অৰিহণা যোগোৱা এক কাৰক হ'ল শিক্ষা। নিম্ন মানৰ শিক্ষা বা অশিক্ষিত পৰিয়ালবোৰত অপৰাধ প্ৰৱণ কাৰ্য বেছিকৈ সংঘটিত হয়। ১৯৯৪ চনত কৰা অধ্যয়ন এটাৰ পোৱা তথ্য অনুসৰি অপৰাধ প্ৰৱণ কাৰ্যৰ লগত জড়িত শিশু আৰু কিশোৰ-কিশোৰীসকলৰ ২৯.৯% অশিক্ষিত, ৪৩.৬% প্ৰাথমিক পৰ্যায় উত্তীৰ্ণ, ২১% মধ্য ইংৰাজী উত্তীৰ্ণ আৰু মাত্ৰ ৫.৫% হাইস্কুল পৰ্যায় উত্তীৰ্ণ।

৮। অপৰাধ প্ৰৱণতাৰ আন এক কাৰক অৰ্থনৈতিক দুৰৱস্থা। পৰিয়ালৰ অৰ্থনৈতিক দিশৰ দুৰৱস্থাৰ বাবে বহুতো কিশোৰ-কিশোৰীয়ে অপৰাধ প্ৰৱণ কাৰ্যত লিপ্ত হোৱা দেখা যায়। ভাৰতত হোৱা এক অধ্যয়নৰ পৰা পোৱা তথ্য অনুসৰি অপৰাধ প্ৰৱণ কাৰ্যৰ লগত জড়িত ৫৪.১% লোক অতি দৰিদ্ৰ পৰিয়ালৰ সদস্য।

৯। কিশোৰ-কিশোৰীসকলে ব্যক্তিগতভাৱে সম্পাদন কৰা অপৰাধ প্ৰৱণ কাৰ্যতকৈ দলীয়ভাৱে সম্পাদন কৰা অপৰাধ প্ৰৱণ কাৰ্যৰ পৰিমান বেছি।

১০। বৰ্তমান সময়ত অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীসকলক সংশোধন কৰি সমাজৰ মূল পথলৈ ঘূৰাই অনাৰ বাবে বিভিন্ন সংস্কাৰমূলক অনুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছে।

## অপৰাধ প্ৰৱণতাৰ প্ৰকাৰবোৰ (Types of Delinquency) :

বিভিন্ন সমাজবিজ্ঞানী আৰু বিশেষজ্ঞই অপৰাধ প্ৰৱণতাক বিভিন্ন প্ৰকাৰে বিভাজিত কৰিছে। কেতবোৰ গুৰুত্বপূৰ্ণ শ্ৰেণীবিভাজন তলত উল্লেখ কৰা হ'ল—

**(১) নাথানিল হিৰ্চ (Nathanil Hirsh)** ৰ মতে অপৰাধ প্ৰৱণতাৰ বিভিন্ন ভাগবোৰ হ'ল—

(ক) মাজ নিশালৈ ঘৰৰ বাহিৰত থকা, পিতৃ-মাতৃক সন্মান নকৰা আৰু অন্যান্য

(খ) ঘৰ বা বিদ্যালয়ত অনুপস্থিত

(গ) ৰাজহুৱা আৰু ব্যক্তিগত সম্পত্তিৰ ক্ষতি সাধন

(ঘ) মৰণাস্ত্ৰ ব্যৱহাৰৰ দ্বাৰা সমাজত হিংসাৰ সৃষ্টি

(ঙ) চৌৰ্য কাৰ্য

(চ) যৌন অপৰাধ

**(২) ইটন আৰু পল্ক (Eaton and Polk)** ৰ মতে অপৰাধ প্ৰৱণতাৰ ভাগবোৰ হ'ল—

(ক) যান বাহন আইন অমান্য কৰা যেনে— বিনা অনুজ্ঞপত্ৰৰে গাড়ী চলোৱা, মাদক দ্ৰব্য সেৱন কৰি গাড়ী চলোৱা আৰু অন্যান্য

(খ) অটোমবাইল চুৰি, অনিয়ন্ত্ৰিত আচৰণ আৰু কিছুমান সৰু সুৰা যানবাহন আইন অমান্য কৰা।

(গ) মাদকদ্ৰব্য আৰু ড্ৰাগচ আসক্তিৰ দৰে কেতবোৰ আসক্তি

(ঘ) সম্পত্তিৰ লগত জড়িত হিংসা যেনে সম্পত্তিৰ চুৰি

(ঙ) শাৰীৰিক কষ্ট যেনে নৰহত্যা আৰু অন্যান্য

**(৩) ৰৰ্বাট ট্ৰ'জান'উক্জ (Robert Trojanowicz)** ৰ মতে অপৰাধ প্ৰৱণতাৰ ভাগবোৰ হ'ল—

(ক) দুৰ্ঘটনাজনিত

(খ) অসামাজিককৃত

(গ) আক্ৰমণাত্মক

(ঘ) পৰিস্থিতিমূলক

(ঙ) বৃত্তিমুখী

(চ) দলগত

**(৪) চেলিন আৰু ৱল্ফগেং (Selling and Wolfgang)** নামৰ সমাজশাস্ত্ৰবিদ দুজনৰ মতে অপৰাধ প্ৰৱণতাৰ ভাগ দুটা হ'ল—

(ক) প্ৰথম ভাগৰ অৰ্ন্তভুক্ত দিশবোৰ হ'ল—

(i) সম্পত্তি ধ্বংসকৰণ

(ii) সম্পত্তিৰ চুৰি

(iii) শাৰীৰিক আঘাত

(খ) দ্বিতীয় ভাগৰ অন্তৰ্ভুক্ত দিশবোৰ হ'ল—

(i) জোৰ জবৰদস্তি কৰা

(ii) সম্পত্তি হানি আৰু সম্পত্তি ধ্বংসৰ সকিয়নি

(iii) মানুহৰ বিৰুদ্ধে কৰা প্ৰতিহিংসা

(iv) ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিৰুদ্ধে কৰা হিংসা

(v) দুজন মানুহ জৰিত থকা অপৰাধ যেনে ধৰ্ষণ কৰা

(vi) চুৰি কাৰ্য্য

**(৫) ফাৰ্ডিনান্দ (Ferdinand)** ৰ মতে কিশোৰ অপৰাধ প্ৰৱণতাৰ ভাগ দুটা হ'ল—

(ক) স্নায়বিক অপৰাধ

(খ) চৰিত্ৰ বিশৃংখলিত অপৰাধ

(৬) হ'ৱাৰ্ড বেকাৰে (**Howard Becker**) অপৰাধ প্ৰৱণতাক ব্যক্তিগত অপৰাধ প্ৰৱণতা, দল সমৰ্থিত অপৰাধ প্ৰৱণতা, সংগঠিত অপৰাধ প্ৰৱণতা আৰু পৰিস্থিতিকেন্দ্ৰিক অপৰাধ প্ৰৱণতা স্বৰূপ চাৰিটা ভাগত ভাগ কৰি। সাধাৰণ দৃষ্টিকোণেৰে বিশ্লেষণ কৰিলেও অপৰাধ প্ৰৱণতাক এইকেইটা ভাগতেই ভাগ কৰা হয়। ভাগকেইটাৰ বৰ্ণনা তলত আগবঢ়োৱা হ'ল—

**(ক) ব্যক্তিগত অপৰাধ প্ৰৱণতা (Individual Delinquency) ঃ** অপৰাধ প্ৰৱণ কাৰ্যত এজন ব্যক্তি জড়িত হৈ থাকিলে আৰু এজন ব্যক্তিৰ দ্বাৰা সংঘটিত হোৱা অপৰাধ প্ৰৱণমূলক কাৰ্যক ব্যক্তিগত অপৰাধ প্ৰৱণতা বোলে।এই ভাগৰ বেছিভাগ ব্যাখ্যাই মনস্তত্ববিদসকলে আগবঢ়াইছে। তেওঁলোকৰ মতে পৰিয়াল, বন্ধু-বান্ধৱ বা শিক্ষানুষ্ঠানৰ প্ৰচলিত পদ্ধতিৰ সৈতে মানসিকভাৱে জড়িত হ'ব নোৱাৰি শিশুসকল অপৰাধপ্ৰৱণমূলক কাৰ্যত জড়িত হয়।

হিলী আৰু ব্ৰ'নাৰ (Healy and Bronner), এলবাৰ্ট বান্দুৰা আৰু ৰিচাৰ্ড ৱাল্টাৰ (Albert Bandura and Richard Walters), এডউইন পাৱাৰচ আৰু হেলেন ৱিটমেৰ (Edwin Powers and Helen Witmer) হেনৰী মেয়াৰ (Henry Meyer) আৰু এডগাৰ ব'ৰগট্টা (Edgar Borgatta) ৰ গৱেষণাৰ ভিত্তিত এই প্ৰকাৰৰ অৱধাৰণা প্ৰতিষ্ঠিত। হিলী আৰু ব্ৰ'নাৰে ১৯৩৬ চনত অপৰাধ প্ৰৱণ যুৱক-যুৱতী আৰু অপৰাধ প্ৰৱণ কাৰ্য আৰু অপৰাধৰ লগত জড়িত নোহোৱা তেওঁলোকৰ ভাতৃ-ভগ্নীৰ মাজত এক তুলনামূলক অধ্যয়ন কৰিছিল। উল্লেখযোগ্য যে এই অধ্যয়নত স্পষ্ট হৈছিল যে ১৩ শতাংশ এনে ভাতৃ-ভগ্নীৰ তুলনাত ৯০ শতাংশ অপৰাধ প্ৰৱণকাৰীয়ে ঘৰুৱা পৰিৱেশ অশান্তি অনুভৱ কৰিছিল।

অশান্তিৰ প্ৰকৃতি ভিন্ন ধৰণৰ আছিল। কিছুমানে পিতৃ-মাতৃৰ পৰা সমৰ্থন পোৱা নাছিল আৰু আন কিছুমানে ভাতৃ-ভগ্নীৰ লগত মানসিক দ্বন্দ্বত ভুগি নীচাত্মিকা বা ঈৰ্ষা অনুভৱ কৰিছিল। শেহতীয়া ভাৱে বান্দুৰা আৰু ৱাল্টাৰৰ গৱেষণাৰ পৰা পোৱা গৈছে যে মাকৰ তুলনাত দেউতাকৰ লগত অপৰা[illegible] প্ৰৱণ কিশোৰ কিশোৰীক সম্বন্ধ অতি কম।

**(খ) দল সমৰ্থিত অপৰাধ প্ৰৱণতা (Group Supported Delinquency) ঃ** এই প্ৰকাৰ অনুস[illegible] অপৰাধ প্ৰৱণ কাৰ্য আনৰ সহযোগত সম্পাদন কৰা হয় আৰু ইয়াৰ কাৰণ ব্যক্তিৰ নিজস্ব ব্যক্তি[illegible] নহয়। সাধাৰণতে দেখা যায় যে চুবুৰীয়া আৰু ঘৰৰ সমূহীয়া সংস্কৃতিয়ে এই অপৰাধ প্ৰৱণ কা[illegible] জন্ম দিয়ে। থ্ৰেচাৰ আৰু শ্ব (Thrasher and Shaw) আৰু মেককে (Mckay) ৰ অধ্যয়নত এই প্ৰকা[illegible] অপৰাধ প্ৰৱণতাৰ বিষয়ে আলোচনা কৰা হৈছিল। তেওঁলোকৰ অধ্যয়নৰ বিষয়বস্তু আছিল কি[illegible] অপৰাধ প্ৰৱণকাৰী সকলে কিয় অপৰাধমূলক কাৰ্যৰ লগত জড়িত হয় আৰু অধ্যয়নৰ ফলা[illegible] অপৰাধ প্ৰৱণমূলক দলৰ প্ৰভাৱ থকাৰ বিষয়ে জ্ঞাত হ'ব পাৰিছিল।

পৰৱৰ্তী সময়ত সমাজবিজ্ঞানী চুথাৰলেণ্ডে (Sutherland) এই অধ্যয়ন অনেক নতুনত্ব [illegible]

**(গ) সংগঠিত অপৰাধ প্ৰৱণতা (Organised Delinquency) ঃ** এই প্ৰকাৰৰ প্ৰ[illegible]

আনুষ্ঠানিকভাৱে সংগঠিত কোনো দলৰ দ্বাৰা সম্পাদন কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰত ১৯৫০ চন এই বিধ অপৰাধ প্ৰৱণতাৰ বিষয়ে প্ৰথমে বিশ্লেষণ কৰা হৈছিল আৰু 'অপৰাধ প্ৰৱণ উপসংস্কৃতি (Delinquent Sub culture) নামৰ এক ধাৰণা বিকশাই তোলা হৈছিল। এই ধাৰণাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। এই ধাৰণাই মূল্যবোধ আৰু সামাজিক আদৰ্শৰ প্ৰসংগ আলোচনা কৰিছিল। সামাজিক আদৰ্শ আৰু মূল্যবোধে সংগঠনৰ সদস্যসকলৰ আচৰণ পৰিচালনা কৰিছিল। মূল্যবোধৰ অৱক্ষয়ৰ বাবে সংগঠিত ৰূপত কিছু সংখ্যক লোকে এনে ধৰণৰ অপৰাধ প্ৰৱণ কাৰ্যৰ লগত জড়িত হয়। কোহেন (Cohen) নামৰ সমাজবিজ্ঞানী এজনে পোন প্ৰথমে এইবিধ অপৰাধ প্ৰৱণতাৰ বিষয়ে মত প্ৰকাশ কৰিছিল। পৰৱৰ্তী সময়ত অহলিন (Ohlin) আৰু ক্লোৱাৰ্ড (Cloward) নামৰ সমাজবিজ্ঞানী দুজনে এইবিধ অপৰাধ প্ৰৱণতাৰ বিষয়ে আলোচনা কৰিছিল। সংগঠিত অপৰাধ প্ৰৱণতা বৰ্তমান সময়ৰ এক জ্বলন্ত সমস্যা হৈ পৰিছে।

**(ঘ) পৰিস্থিতিকেন্দ্ৰিক অপৰাধ প্ৰৱণতা (Situational Delinquency) ঃ** ওপৰত আলোচনা কৰা তিনিও প্ৰকাৰৰ অপৰাধ প্ৰৱণতাৰে এটা দিশত মিল আছে। সেয়া হ'ল তিনিওটা ভাগতে অপৰাধ প্ৰৱণ কাৰ্যৰ এক গভীৰ কাৰণ আছে। ব্যক্তিগত অপৰাধ প্ৰৱণতাৰ মূল কাৰণ হ'ল ব্যক্তিৰ আভ্যন্তৰীণ অৱস্থা; দল সমৰ্থিত অপৰাধ প্ৰৱণতাৰ কাৰণ হ'ল সমাজৰ গাঁঠনি আৰু পৰিৱেশীয় অৱস্থা তথা সংগঠিত অপৰাধ প্ৰৱণতাৰ কাৰণ হ'ল সংগঠনৰ মূল্যবোধ আৰু সামাজিক আদৰ্শ।

কিন্তু পৰিস্থিতিকেন্দ্ৰিক অপৰাধ প্ৰৱণতাৰ ক্ষেত্ৰত পৃথক দৃষ্টিভংগী প্ৰকাশ কৰা হৈছে। সমাজ-বিজ্ঞানীসকলে এইবিধ অপৰাধ প্ৰৱণতাৰ বিষয়ে বৰ্ণনা কৰি কৈছিল যে পৰিস্থিতি যেতিয়া গ্ৰহণযোগ্য নহয় বুলি অনুভৱ কৰা হয় তেতিয়াই এনে অপৰাধ প্ৰৱণমূলক কাৰ্যত জড়িত হয়। পৰিয়াল, চুবুৰীয়া আৰু সামাজিক নীতি-নিয়মৰ পৰিৱৰ্তনমুখী চিন্তা ভাৱনাইও কেতিয়াবা পৰিস্থিতি সাপেক্ষে এনে কাৰ্য সংঘটিত কৰে।

মাট্‌যা (Matza) নামৰ গৱেষক এজনে ১৯৬৪ চনত এইবিধ অপৰাধ প্ৰৱণতাৰ বিষয়ে প্ৰথমে বৰ্ণনা আগবঢ়াইছিল। অৱশ্যে এই ধৰণৰ অপৰাধ প্ৰৱণ কাৰ্যৰ অধ্যয়নে বিশেষ গুৰুত্ব পোৱা দেখা নাযায়।

## অপৰাধ প্ৰৱণতাৰ কাৰণ (Causes of Delinquency)

কিছুসংখ্যক শিক্ষাবিদে কয় যে অপৰাধীৰ জন্ম হয়, গঢ়ি নুঠে আৰু আন কিছুমানে কয় যে অপৰাধী গঢ়ি তোলা নহয়, কিন্তু নজন্মে। সেয়েহে আমাৰ বাবে এইটো প্ৰয়োজনীয় যে অপৰাধ প্ৰৱণতাৰ কাৰণবোৰ বিশ্লেষণ কৰিব লাগে। তলত এই বিষয়ে আলোচনা কৰা হ'ল—

**(ক) জৈৱিক কাৰণবোৰ (Biological Factors) ঃ**

বিভিন্ন জৈৱিক আৰু বংশগত কাৰণৰ বাবে কিশোৰ-কিশোৰীসকলৰ মাজত অপৰাধ প্ৰৱণ আচৰণ দেখিবলৈ পোৱা যায়। বংশগতভাৱে মাক-দেউতাকৰ পৰা কিছুমান ব্যক্তিয়ে এনে কিছুমান চৰিত্ৰ কঢ়িয়াই আনে যিবিলাক চৰিত্ৰৰ আচৰণে সমাজত অপৰাধ প্ৰৱণ কাৰ্য সংঘটিত কৰে। এনে কেতবোৰক কাৰক হ'ল—

**(১) ক্ৰ'মজ'ম আৰু জিনৰ প্ৰভাৱ (Influence of Chromosome and Gene) ঃ** অপৰাধ প্ৰৱণতা জন্মতেই গঢ় লয়। কিছুসংখ্যক মনোবৈজ্ঞানিকৰ মতে শিশু মাতৃগৰ্ভত থকাৰ পৰা অপৰাধ প্ৰৱণতাই বিকাশ লাভ কৰে। ই ক্ৰ'মজ'ম আৰু জিনৰ বাবে সৃষ্টি হয়। অপৰাধ প্ৰৱণতাৰ কোনো সংলক্ষম যদি পূৰ্ব প্ৰজন্মৰ আছে তেন্তে ই পৰৱৰ্তী প্ৰজন্মলৈ গতি কৰে।

**(২) শাৰীৰিক অস্বাভাৱিকতা (Physical Abnormality) ঃ** শিশুৱে মাক-দেউতাকৰ পৰা শাৰীৰিক অবয়ব লাভ কৰে। কিছু সংখ্যক শিশুৱে কিছুমান সচঁৰা বেমাৰো মাক-দেউতাকৰ পৰা লাভ কৰে। ঠিক একেদৰে আন কিছুমান অপৰাধ প্ৰৱণতাৰ সংলক্ষণো লাভ কৰে। ইটালীয়ান চিকিৎসাবিদ আৰু অপৰাধ নৃতত্বৰ অধ্যাপক চিজাৰ লমব্ৰছ (Cesare Lombroso), যাক অপৰাধ বিজ্ঞানৰ পিতৃ স্বৰূপে অভিহিত কৰা হয়, তেওঁ 'জন্মগত অপৰাধী সূত্ৰ' (Theory of Born Criminals) ১৮৭৬ চনত বিকশাই তুলি মত প্ৰদান কৰিছিল যে এজন অপৰাধী বহু ধৰণৰ শাৰীৰিক অস্বাভাৱিকতাত ভোগে আৰু এনে বিশেষত্বসমূহ তেওঁলোকে বংশগতভাৱে কঢ়িয়াই আনে। তেওঁ উল্লেখ কৰিছে যে ব্যক্তিৰ অস্বাভাৱিক মুখমণ্ডল, দীঘল কাণ, চেপেটা, নাক, দীঘল বাহু, কেকোঁৰা চুলি, ডাঙৰ চকু আৰু অন্য কিছুমান শাৰীৰিক বিশেষত্ব ব্যক্তিয়ে জন্মগতভাৱে লাভ কৰে যিবোৰ বিশেষত্ব অপৰাধীসকলে বহন কৰে।

**(খ) মনোবৈজ্ঞানিক কাৰণ (Psychological Causes) ঃ**

কিশোৰ-কিশোৰীৰ অপৰাধ-প্ৰৱণ আচৰণৰ আন এক কাৰণ হ'ল বিভিন্ন মনোবৈজ্ঞানিক দিশবোৰ। তলত এই মনোবৈজ্ঞানিক কাৰণবোৰ উল্লেখ কৰা হ'ল—

**(১) বৌদ্ধিক দুৰ্বলতা (Intellectual Weakness) ঃ** অপৰাধ প্ৰৱণতাৰ এটা প্ৰধান কাৰণ হ'ল বৌদ্ধিক দুৰ্বলতা। ড° গৰিং (Dr. Goring) আৰু গৰ্ডাড (Goddard) আদি বিশেষজ্ঞসকলে এই কাৰকৰ সমৰ্থন কৰিছিল। নিজস্ব গৱেষণাৰ পৰা তেওঁলোক মতপোষণ কৰিছিল যে যিসকল কিশোৰ-কিশোৰী বৌদ্ধিকভাৱে নিম্নমানৰ অৰ্থাৎ বুদ্ধাংক সাধাৰণ ব্যক্তিতকৈ কম সেইসকলৰ মাজত অপৰাধ প্ৰৱণ আচৰণ বেছিকৈ দেখা যায়। কিন্তু বিভিন্ন মনোবিজ্ঞানীয়ে এই মতবাদৰ সমালোচনা কৰি কৈছিল যে বৌদ্ধিকভাৱে উচ্চ পৰ্যায়ৰ বিভিন্ন শিশু আৰু কিশোৰ-কিশোৰীয়েও বহুতো অপৰাধ প্ৰৱণমূলক কাৰ্য সংঘটিত কৰে।

**(২) মানসিক ৰোগ (Mental Diseases) ঃ** বিভিন্ন অপৰাধ বিজ্ঞানীয়ে মানসিক ৰোগ আৰু অপৰাধ প্ৰৱণতাৰ মাজত সম্বন্ধ স্থাপন কৰিবলৈ প্ৰয়াস কৰে। বিভিন্ন ধৰণৰ মানসিক ৰোগে কিশোৰ-কিশোৰৰ অপৰাধ প্ৰৱণ আচৰণত অৰিহণা যোগায়। স্নায়ৱিক দুৰ্বলতাৰ বাবে হোৱা মানসিক ৰোগবোৰ এইক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য।

**(৩) ব্যক্তিত্বৰ বৈশিষ্ট্যবোৰ (Characteristics of Personality) ঃ** কিশোৰ-কিশোৰীৰ বিভিন্ন ব্যক্তিত্বৰ বৈশিষ্ট্যবোৰেও অপৰাধ প্ৰৱণতাত অৰিহণা যোগায়। সাধাৰণ শিশুৰ তুলনাত অপৰাধ প্ৰৱণ শিশু আৰু কিশোৰ-কিশোৰীৰ মাজত কেতবোৰ বৈশিষ্ট্য যেনে—স্বাধীনতাৰ মাত্ৰা, দায়িত্বহীনতা, বিদ্ৰোহভাৱ, হত্যামূলক প্ৰৱণতা, সন্দেহভাৱ, নিয়ন্ত্ৰণহীনতা, কেতবোৰ দুখৰ প্ৰকাৰ, আৱেগিক আৰু সামাজিক অপসমাযোজন, বহিমুখী আচৰণ আদি বেছি পৰিমাণে থকা দেখিবলৈ পোৱা যায়। সাধাৰণ কিশোৰ কিশোৰীৰ তুলনাত অপৰাধ প্ৰৱণসকলৰ মাজত অপৰিপক্ক অনুভূতি আৰু আৱেগিক ভাৰসাম্যহীনতা আঠগুণে বেছিকৈ থকা দেখা যায়।

**(৪) আৱেগিক অস্থিৰতা (Emotional Stability) ঃ** অপৰাধ প্ৰৱণতাৰ আন এক মনোবৈজ্ঞানিক কাৰণ হ'ল আৱেগিক অস্থিৰতা। মৰম আৰু ভালপোৱাৰ অভাৱ, আৱেগিক নিৰাপত্তাহীনতা, অতি কঠোৰ অনুশাসন, অসন্তুষ্টিৰ ভাৱ আদিৰ বাবে শিশু আৰু কিশোৰ-কিশোৰী আৱেগিকভাৱে ভাৰসাম্যহীন হৈ থাকে। ইয়ে তেওঁলোকক অপৰাধ প্ৰৱণ কাৰ্য সম্পাদনৰ বাবে উচতনি যোগায়। হিলী আৰু ব্ৰ'নাৰ (Healy and Bronner) ৰ এক অধ্যয়নৰ ফলাফল অনুসৰি ৯৩ শতাংশ অপৰাধ প্ৰৱণ কিশোৰ কিশোৰীৰ প্ৰধান সংলক্ষণ হ'ল আৱেগিক ভাৰসাম্যহীনতা। তেওঁলোকৰ অধ্যয়নৰ পৰা পোৱা আন কেতবোৰ ফলাফল হ'ল—

(i) ৪৬ জন অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীৰ মনত নিৰাপত্তাহীনতাৰ ভাৱ, গ্ৰহণযোগ্যহীনতা, অত্যাধিক পক্ষপাতিত্ব, নিচাখিকা আদি বেছিকৈ দেখা যায়।

(ii) ২৮ জনৰ মতে অপৰাধ প্ৰৱণতাৰ কাৰণ হ'ল ভালপোৱাৰ অভাৱ।

(iii) ৩৪ জন অপৰাধ প্ৰৱণ ব্যক্তিৰ মতে তেওঁলোক বিদ্যালয় জীৱন, পৰিয়াল জীৱন, বন্ধুবৰ্গ আৰু খেলৰ সময়ত নিকৃষ্ট বুলি অনুভৱ কৰে।

(iv) ৩৪ জনৰ মতে পিতৃ-মাতৃৰ বেয়া আচৰণ, পৰিয়াল জীৱনৰ অৱস্থা, পিতৃ-মাতৃৰ ভূল আদিৰ বাবে তেওঁলোক আৱেগিক অস্থিৰতাত ভোগে আৰু অপৰাধ প্ৰৱণ কাৰ্য সম্পাদন কৰে।

**(গ) সামাজিক কাৰণ (Social Causes) ঃ** অপৰাধ প্ৰৱণতাৰ আন কাৰণবোৰৰ তুলনাত সামাজিক কাৰণবোৰ অধিক ব্যাপক প্ৰকৃতিৰ। অপৰাধ প্ৰৱণতাৰ বিভিন্ন সামাজিক কাৰণবোৰ তলত উল্লেখ কৰা হ'ল—

**(১) পৰিয়ালৰ ভুল বা অপূৰ্ণতা (Defects of the Family) ঃ** অপৰাধ প্ৰৱণতাৰ এক প্ৰধান সামাজিক কাৰণ হ'ল পৰিয়ালৰ ভুল বা অপূৰ্ণতা। পৰিয়ালৰ অপূৰ্ণতাৰ লগত জড়িত কেতবোৰ কাৰক হ'ল—

(i) **ঘৰৰ দৰিদ্ৰতা (Poverty at home) :** ঘৰৰ দৰিদ্ৰতাইও অপৰাধ প্ৰৱণতাত ইন্ধন যোগায়। অতি দৰিদ্ৰ ঘৰত ল'ৰা-ছোৱালীয়ে কৈশোৰ কালৰ বৈশিষ্ট্য অনুযায়ী নিজকে সজোৱা পৰোৱাৰ আকাংক্ষা পূৰণ কৰিব নোৱাৰি হতাশগ্ৰস্ত হৈ পৰে আৰু অনেক সময়ত চৌৰ্য বৃত্তি অৱলম্বন কৰিও ধনী ঘৰৰ লৰা-ছোৱালীৰ দৰে চলিবলৈ বিচাৰে। দাৰিদ্ৰতাক উপলব্ধি কৰিব নোৱাৰাৰ বাবে বয়সৰ তাগিদাত অবাঞ্ছনীয় আচৰণত তেওঁলোক লিপ্ত হোৱা দেখা যায়।

(ii) **ভগ্ন পৰিয়াল (Broken Homes) :** ভগ্ন পৰিয়াল হ'ল সেইসমূহ পৰিয়াল য'ত স্বামী আৰু স্ত্ৰীৰ মাজত কোনো ধৰণৰ সম্বন্ধ নাথাকে আৰু তেওঁলোকে এজনে আনজনৰ পৰা আঁতৰি থাকে। এনে পৰিয়ালৰ শিশুবোৰে বহুত কষ্ট সহ্য কৰিব লগা হয়। ঘৰত তেওঁলোকে উপযুক্ত মনোযোগ আৰু মৰম লাভৰ পৰা বঞ্চিত হয়। ইয়ে তেওঁলোকৰ মনত হতাশা, মানসিক সংঘাত আৰু আৱেগিক দ্বন্দৰ সৃষ্টি কৰে আৰু ইয়াৰ ফলতো অপৰাধ প্ৰৱণতাই দেখা দিয়ে।

(iii) **ক্ৰটিপূৰ্ণ অনুশাসন (Defective Discipline) :** পৰিয়ালৰ অনুশাসন প্ৰধানত তিনি প্ৰকাৰৰ, যেনে (i) অতি কঠোৰ, (ii) অতি বিনম্ৰ আৰু (iii) অনুশাসনৰ ক্ষেত্ৰত মাক আৰু দেউতাকৰ পৃথক দৃষ্টিভংগী। এই তিনিও প্ৰকাৰৰ অনুশাসনৰ কোনো এটা প্ৰকাৰে ল'ৰা-ছোৱালীৰ আচৰণ অপৰাধমূলক কৰি তোলে।

**(iv) পিতৃ-মাতৃৰ মনোভাৱ (Attitude of Parents)** ☐ কিশোৰ-কিশোৰীৰ প্ৰতি থকা পিতৃ-মাতৃৰ মনোভাৱেও অপৰাধ প্ৰৱণতাত অৰিহণা যোগায়। যেতিয়া ল'ৰা ছোৱালীয়ে ঘৰত মৰম ভালপোৱাৰ পৰা বঞ্চিত হয় আৰু সকলো সময়তে ঠাট্টা-মস্কৰা শুনি থাকিবলগীয়া হয় তেতিয়া তেওঁলোকৰ মনত বিৰোধভাৱ জন্মে, ঘৰৰ পৰা পলাই যায় আৰু অপৰাধমূলক কাৰ্যও সংঘটিত কৰে। অভিভাৱকৰ পৰা স্বীকৃতি নাপালে ল'ৰা-ছোৱালীৰ মনত মানসিক জটিলতা বৃদ্ধি পায় আৰু ইয়ে সিহঁতক বেয়া পথলৈ অগ্ৰসৰ কৰাত অৰিহণা যোগায়।

**(v) পিতৃ-মাতৃৰ চৰিত্ৰ আৰু আচৰণ (Character and Conduct of Parents)** ☐ ল'ৰা-ছোৱালীৰ ব্যক্তিত্ব পিতৃ-মাতৃৰ চৰিত্ৰ আৰু আচৰণৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হয়। পিতৃ-মাতৃৰ চৰিত্ৰ আৰু আচৰণত মিথ্যাচাৰ, মাদক দ্ৰব্যৰ আসক্তি, বেশ্যাবৃত্তি আদিৰ দৰে অসামাজিক দিশবোৰ থকা দেখিলে এইবোৰে ল'ৰা-ছোৱালীৰ আচৰণ অপৰাধ প্ৰৱণ কৰি তোলে আৰু তেওঁলোকে বহুতো অসামাজিক আৰু বেআইনী কাৰ্যত লিপ্ত হোৱা দেখা যায়।

**(vi) ভাতৃ-ভগ্নীৰ প্ৰভাৱ (Influence of Brother and Sisters)** ঃ পিতৃ-মাতৃৰ সম্বন্ধৰ বাহিৰেও ল'ৰা-ছোৱালীৰ ব্যক্তিত্বত ভাতৃ আৰু ভগ্নীৰ প্ৰভাৱ থকাও দেখা যায়। এই প্ৰভাৱ ল'ৰাৰ তুলনাত ছোৱালীৰ মাজত বেছিকৈ পোৱা যায়। কিয়নো ল'ৰাৰ দৰে ছোৱালীয়ে বাহ্যিক পৰিৱেশত বেছিকৈ চলাচল নকৰে আৰু বেছিভাগ সময় ঘৰতেই থাকে। যদি ঘৰৰ অগ্ৰজ সদস্যই অপৰাধমূলক কাৰ্য কৰে, অনুজসকলো তাৰ দ্বাৰা প্ৰভাৱিত হয়।

**(২) বিদ্যালয়ৰ ভুল (Defects of the School)** ঃ ঘৰৰ পিছত, বিদ্যালয়ে ল'ৰা-ছোৱালীৰ ব্যক্তিত্বক প্ৰভাৱিত কৰে। শিক্ষকৰ শাস্তিৰ ভয়, কিছুমান বিষয়ত থকা দুৰ্বলতা, পৰীক্ষাত অকৃতকাৰ্যতা, অপৰাধমূলক দলৰ সদস্য আদিৰ বাবে ল'ৰা-ছোৱালীয়ে বেয়া কামত লিপ্ত হোৱা দেখা যায়। বিদ্যালয়ৰ পৰা পলাই যোৱা ল'ৰা-ছোৱালীয়ে অসৎ সংগৰ লগত সময় অতিবাহিত কৰে আৰু বিভিন্ন ধৰণৰ অপৰাধ কাৰ্য সংঘটিত কৰে। আকৌ দেখা যায় যে কিশোৰ-কিশোৰীয়ে বেছিভাগ সময় বিদ্যালয়ত অতিবাহিত কৰে। বিদ্যালয়ৰ পৰিৱেশ যদি উপযুক্ত মানদণ্ডৰ নহয় তেন্তে ছাত্ৰ-ছাত্ৰীসকলৰ আচৰণত সমস্যা দেখা যায়। বিদ্যালয়ৰ স্থান, অনুশাসনহীনতা, পৰীক্ষা ব্যৱস্থা, সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীৰ অতি দুখ লগা অৱস্থা আদিয়ে তেওঁলোকৰ আচৰণত নানা সমস্যাৰ সৃষ্টি কৰে। শিক্ষা ব্যৱস্থাৰ আন এক ক্ৰুটি হ'ল এয়ে যে বৰ্তমানৰ শিক্ষা ব্যৱস্থাই চৰিত্ৰ গঠনৰ তুলনাৰ তথ্য আহৰণ কৰাত অধিক গুৰুত্ব আৰোপ কৰিছে। এই কাৰকবোৰে ছাত্ৰ-ছাত্ৰীক অধ্যয়নৰ প্ৰতি আগ্ৰহহীন কৰি তোলে আৰু ফলত অপৰাধমূলক কাৰ্য সম্পাদনৰ দিশে অগ্ৰসৰ হোৱা দেখা যায়।

**(৩) অপৰাধ প্ৰভূত্ব অঞ্চল (Crime Dominated Area)** ঃ কিছুমান অঞ্চল শিশুৰ বিকাশৰ বাবে উপযোগী নহয়। এইটো এটা সাধাৰণ কথা যে শিশুৰ ওপৰত ওচৰ-চুবুৰীয়াৰ প্ৰভাৱ অতি বেছিকৈ পৰে। দেখা যায় যে যিবোৰ অঞ্চলত জীৱন ধাৰণৰ অতি নিম্ন মানৰ শিশুৰ মৃত্যুৰ হাৰ অতি বেছি, বিনোদৰ কোনো উপায় নাই, আবাসীবোৰ স্থায়ী নহয় সেই অঞ্চলত অপৰাধ প্ৰৱণতা বেছিকৈ পোৱা যায়। যিবোৰ অঞ্চল অস্থিৰ আৰু সামাজিক আইনহীন আৰু মূল্যহীন, যিবোৰ অঞ্চলত চুৰিকাৰ্য, ধৰ্ষণ, হত্যা আদি সঘনাই দেখিবলৈ পোৱা যায় সেই অঞ্চলবোৰত অপৰাধ প্ৰৱণতাৰ হাৰ অতি বেছি।

**(৪) বেয়া সংগ (Bad Companion)** ঃ বিখ্যাত অপৰাধ বিজ্ঞানী ইডউইন এইচ. চুথাৰলেণ্ড (Edwin H. Sutherland)ৰ মতে অন্যৰ লগত কৰা আন্তঃক্ৰিয়াৰ যোগেদিও অপৰাধ প্ৰৱণ আচৰণ গঢ়ি উঠিব পাৰে। শিশুসকলৰ মাজত কিছুমানে ভাল সংগ লাভ কৰে আৰু কিছুমানে বেয়া সংগ লাভ কৰে। বেয়া সংগ লাভ কৰাবোৰে অপৰাধ প্ৰৱণ আচৰণৰ দিশে অগ্ৰসৰ হয় আৰু ভাল সংগ লাভ কৰাবোৰে সমাজৰ এজন দায়িত্বশীল নগাৰিক হয়। বেয়া সমনীয়াৰ সংগৰ লগত মিলিত হোৱা সকলো জুৱাৰ আদ্দা, চহৰৰ দোকান, চিনেমা হ'লত ৰাস্তাত ঘুৰি ফুৰি নিজৰ মানসিক ক্ষতি সাধন কৰে আৰু অপৰাধ প্ৰৱণ কাৰ্যৰ দিশে আগুৱাই যায়।

(৫) **বিনোদনৰ উপায় (Means of Recreation) ঃ** বৰ্ত্তমান সময়ৰ কিশোৰ-কিশোৰীসকলৰ বাবে বিনোদনৰ নতুন কিছুমান উপায় উদ্ভাৱন হৈছে যিবোৰৰ সবলতা আৰু দুৰ্বলতা দুয়োটাই আছে। আধুনিক জনসংযোগ মাধ্যমবোৰে তেওঁলোকৰ বয়সৰ লগত সংগতি নথকা আন এক পৃথিৱীলৈ লৈ যায়। কমিক কিতাপ, সস্তীয়া কিতাপ তথা আলোচনী, চিনেমা, টেলিভিছনৰ কিছুমান অনুষ্ঠানে তেওঁলোকৰ আগ্ৰহ পঢ়াৰ পৰা আঁতৰাই আনে। বাস্তৱ জগতৰ লগত সম্বন্ধ নথকা বিষয়বস্তুবোৰৰ বাবে তেওঁলোকৰ আৱেগিক বিকাশ ভালদৰে নহয় আৰু অপৰাধ প্ৰৱণ কিছুমান আচৰণ প্ৰদৰ্শন কৰিবলৈ ধৰে।

(৬) **সামাজিক বিসংগঠন (Social Disorganisation) ঃ** সমাজৰ বিসংগঠনে ব্যক্তিৰ মাজতো বিসংগঠন আনে আৰু বিসংগঠিত সমাজে অপৰাধমূলক কাৰ্যকলাপ বৃদ্ধি কৰে আৰু ইও হ'ল অপৰাধ প্ৰৱণতাৰ আন এক সামাজিক কাৰণ। আধুনিক উদ্যোগবাদী সমাজত সংশ্লেষণ আৰু সমানতাৰ অভাৱে শংকা কঢ়িয়াই আনে। এই শংকাই উঠি অহা যুৱক-যুৱতীসকলক অপৰাধ প্ৰৱণ কাৰ্যৰ বাবে উচটনি যোগায়।

(৭) **জাতি আৰু শ্ৰেণী (Caste and Class) ঃ** জাতি আৰু শ্ৰেণী ব্যৱস্থাইও সমাজত অপৰাধ প্ৰৱণতা জাগ্ৰত হোৱাত অৰিহণা যোগায়। পৃথিৱীৰ অন্য দেশৰ দৰে ভাৰতবৰ্ষতো জাতি ব্যৱস্থাই উচ্চ-নিম্ন ভাগত মানুহক ভাগ কৰিছে। জাতি ব্যৱস্থাৰ ফলতেই হৰিজন, গিৰিজন সকলক ভাৰতবৰ্ষত হীন জাতি হিচাপে অভিহিত কৰা হয়। ফলত এইসকল ব্যক্তিয়ে জীয়াই থকাৰ বাবে বহু সমস্যাৰ সন্মুখীন হয়। সেয়ে এওঁলোকে মানসিক সংঘাতত জৰ্জৰিত হৈ সমাজৰ প্ৰচলিত ৰীতি-নীতিৰ প্ৰতি প্ৰত্যাহ্বান হিচাপে থিয় দি অপৰাধ প্ৰৱণ কাৰ্যত লিপ্ত হয়। আকৌ শ্ৰেণী ব্যৱস্থাই ধনী-দুখীয়াৰ শ্ৰেণীকৰণ কৰি দুখীয়া শ্ৰেণীটোক সকলো দিশৰ পৰা হীন হিচাপে প্ৰতিষ্ঠিত কৰাৰ প্ৰয়াস কৰে। আমাৰ সমাজত ব্যৱস্থাত ৰাজনৈতিক, সামাজিক, ধৰ্মীয়, অৰ্থনৈতিক, সাংস্কৃতিক আদি সকলো দিশতে এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক দমন কৰে আৰু ইয়াৰ ফলত আনটো শ্ৰেণীৰ লোকসকলে অপৰাধ প্ৰৱণ কাৰ্যত লিপ্ত হোৱা দেখা যায়।

অপৰাধ প্ৰৱণতাৰ কাৰণবোৰ জৈৱিক, মনোবৈজ্ঞানিক আৰু সামাজিক দৃষ্টিকোণেৰে ওপৰত আলোচনা কৰা হ'ল। বিখ্যাত সমাজ-বিজ্ঞানী হিলী আৰু ব্ৰ'নাৰে (Healy and Bronner) অপৰাধ প্ৰৱণতাৰ বিভিন্ন কাৰণবোৰ তলত দিয়া ধৰণেৰে উল্লেখ কৰিছে —

(১) অসৎ সংগ (Bad Company)

(২) আগতীয়া যৌন অভিজ্ঞতা (Early Sex Experience)

(৩) মানসিক আঘাত (Mental Conflict)

(৪) অতিমাত্রা সামাজিক পৰামৰ্শ (Extreme Social Suggestibility)
(৫) দুঃসাহসিক কাৰ্যৰ প্ৰতি প্ৰীতি (Love of Adventure)
(৬) বোলছবি (Motion Picture)
(৭) সস্তীয়া বিনোদন (Poor Recreation)
(৮) পথচাৰী জীৱন (Street Life)
(৯) কাৰিকৰী শিক্ষাৰ অসন্তুষ্টি (Dissatisfaction of Vocational Education)
(১০) আকস্মিক উদ্যোগ (Sudden Impulse)
(১১) শাৰিৰীক অৱস্থা (Physical Condition)
(১২) কৈশোৰ অস্থিৰতা আৰু আবেগিকতা (Adolescent Instability and Impulse)

ব্যাপক দৃষ্টিভংগীৰে বিবেচনা কৰিলে অপৰাধ প্ৰৱণতাৰ কাৰকবোৰ তলৰ চিত্ৰৰ সহায়ত বুজি উঠিব পাৰি।

**অপৰাধ প্ৰৱণতাৰ কাৰকবোৰ**

- ব্যক্তিগত কাৰক
  - ১। আজ্ঞাধীন
  - ২। অমান্যতা
  - ৩। শত্ৰুতা
  - ৪। আৱেশ প্ৰৱণ
  - ৫। নিৰাপত্তহীনতাবোধ
  - ৬। ভয়
  - ৭। আবেগিক দ্বন্দ
  - ৮। আত্ম নিয়ন্ত্ৰণহীনতা
- পৰিস্থিতিকেন্দ্ৰিক কাৰক
  - পৰিয়াল
    - ১। পিতৃ-মাতৃৰ অনুশাসন
    - ২। পিতৃ-মাতৃৰ মৰম
    - ৩। পৰিয়ালৰ সংযোজন
    - ৪। পৰিয়ালৰ নীতি-নিয়ম আৰু আদৰ্শ
    - ৫। পিতৃ-মাতৃৰ সলনি
    - ৬। পিতৃৰ কৰ্মভ্যাস
    - ৭। পৰিয়ালৰ আৰ্থিক অৱস্থা
    - ৮। পিতৃ-মাতৃৰ বৈবাহিক সম্বন্ধ
  - সমনীয়া দলৰ সম্বন্ধ
  - সামাজিক পৰিৱেশ
    - ১। বিদ্যালয়ৰ সহপাঠীৰ লগত সমাযোজন
    - ২। বিদ্যালয়ৰ প্ৰতি মনোভাৱ
    - ৩। শ্ৰেণীত অকৃতকাৰ্যতা বা শৈক্ষিক আগ্ৰহীনতা
  - চিনেমা
  - কৰ্ম পৰিৱেশ

৯। ভগ্ন পৰিয়াল
১০। ঘৰুৱা দায়িত্ব
১১। ভাতৃ-ভগ্নীৰ মৰম
১২। পৰিয়ালৰ সংস্কৃতি

## ভাৰতবৰ্ষত অপৰাধ প্ৰৱণতাৰ পৰিসাংখ্যিক বিশ্লেষণ (Statistical Analysis of Juvenile Delinquency in India)

ৰাষ্ট্ৰীয় অপৰাধ ৰেকৰ্ড ব্যুৰো (National Crime Record Bureau) ই প্ৰদান কৰা তথ্য অনুসৰি ভাৰতবৰ্ষত অপৰাধ প্ৰৱণ কিশোৰ-কিশোৰীৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। তলত কেতবোৰ তথ্য দাঙি ধৰা হ'ল—

তালিকা ১ ঃ পঞ্জীভূত অপৰাধ প্ৰৱণ কেছৰ সংখ্যা

| বছৰ | পঞ্জীভূত কেছ | | অপৰাধ প্ৰৱণ কেছৰ শতাংশ হাৰ |
|---|---|---|---|
| | অপৰাধ প্ৰৱণ কেছ | ভাৰতীয় দণ্ডবিধি সকলো কেছ | |
| ২০০৫ | ১৮৯৩৯ | ১৮২২৬০২ | ১.০ |
| ২০০৬ | ২১০৮৮ | ১৮৭৮২৯৩ | ১.১ |
| ২০০৭ | ২২৮৬৫ | ১৯৮৯৬৭৩ | ১.১ |
| ২০০৮ | ২৪৫৩৫ | ২০৯৩৩৭৯ | ১.২ |
| ২০০৯ | ২৩৯২৬ | ২১২১৩৪৫ | ১.১ |
| ২০১০ | ২২৭৪০ | ২২২৪৮৩১ | ১.০ |
| ২০১১ | ২৫১২৫ | ২৩২৫৫৭৫ | ১.১ |
| ২০১২ | ২৭৯৩৬ | ২৩৮৭১৮৮ | ১.২ |
| ২০১৩ | ৩১৭২৫ | ২৬৪৭৭২২ | ১.২ |
| ২০১৪ | ৩৩৫২৬ | ২৮৫১৫৬৩ | ১.২ |
| ২০১৫ | ৩১৩৯৬ | ২৯৪৯৪৯৯ | ১.১ |

তালিকাৰ পৰা দেখা গৈছে যে বছৰে বছৰে অপৰাধ প্ৰৱণ কেছৰ সংখ্যা আমাৰ দেশত বাঢ়ি আহিছে।

তালিকা ২ ঃ ২০১৫ চনত পঞ্জীভূত বিভিন্ন প্ৰকাৰৰ অপৰাধ প্ৰৱণ কেছৰ

| ক্ৰমিক নং | অপৰাধৰ প্ৰকাৰ | কেছৰ সংখ্যা |
|---|---|---|
| ১ | হত্যা | ১৫৩ |
| ২ | হত্যাৰ চেষ্টা | ৯৮০ |
| ৩ | দোষণীয় হত্যাকাৰী | ৩৬ |
| ৪ | দোষণীয় হত্যাৰ চেষ্টা | ৬০ |
| ৫ | ধৰ্ষণ | ১৬৯৮৮ |
| ৬ | অপহৰণ | ১৬৩০ |
| ৭ | ডকাইতি | ১৯৩ |
| ৮ | চুৰি কাৰ্য | ১৩৫৮ |
| ৯ | আইন উলংঘন | ২৬০৫ |

এই তালিকা অনুসৰি আমাৰ দেশত বেছিভাগ কিশোৰ অপৰাধীয়ে ধৰ্ষণ কাৰ্যৰ লগত জড়িত।

**অপৰাধ প্ৰৱণতাৰ প্ৰতিকাৰ (Prevention of Juvenile Delinquency)**

অপৰাধ প্ৰৱণতাৰ কাৰণবোৰ সমাধান কৰাৰ দায়িত্ব সমগ্ৰ সমাজখনৰ লোকসকলৰ। পৰিয়াল, বিদ্যালয়, সমাজ তথা ৰাষ্ট্ৰ সকলোবোৰ মাধ্যমেই অপৰাধ প্ৰৱণতাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত তলত এই বিষয়ে আলোচনা কৰা হ'ল —

(ক) **পৰিয়ালৰ ভূমিকা (Role of Family)** : শিশু আৰু কিশোৰ-কিশোৰীৰ বাবে পৰিয়া হ'ল প্ৰথম শিক্ষাৰ কেন্দ্ৰ। তেওঁলোকে বেছিভাগ সময় ঘৰতেই অতিবাহিত কৰে। পৰিয়ালে ছোৱালীৰ আচৰণ সংশোধনত বিশেষ ভূমিকা পালন কৰে। অপৰাধ-প্ৰৱণতা নিবাময়ৰ বাবে প গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাবোৰ হ'ল —

১। **ঘৰৰ উপযুক্ত পৰিবেশ (Proper Atmosphere of Home)** : ল'ৰা-ছোৱালীয়ে ঘ পৰিবেশ লাভৰ ক্ষেত্ৰত পিতৃ-মাতৃয়ে গুৰুত্ব দিব লাগে। পৰিয়ালত এনে প কৰিব লাগে যাতে অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীয়েও সাধাৰণ জীৱন যাপন হয়। ল'ৰা-ছোৱালীৰ, সন্মুখত মাক-দেউতাকে কাজিয়া কৰিব নালাগে।

২। **শিশুৰ প্ৰতি উপযুক্ত মনোভাৱ (Proper Attitude towards Childr**... নিজৰ সন্তানক সহানুভূতিৰে চাব লাগে। নিজৰ সন্তানৰ সমস্যাবোৰ মনো আৰু প্ৰয়োজন অনুসাৰে সহায় কৰিব লাগে। সন্তানক নিয়ন্ত্ৰণৰ বেলিকা কঠোৰ বা অধিক শিথিল হ'ব নালাগে।

...গুৰুত্ব দিব লাগে ... সৰু পৰিয়ালৰ মাক-...
...কৰিব পাৰে। সৰু পৰিয়ালৰ মাক ... নিজৰ
...ব পাৰে।

**...অভ্যাস গঠন (Developing Good Habits) :** নিজৰ সন্তানৰ ... ওপৰত অভিভাৱকে চকু দিব লাগে। যদি কোনো প্ৰকাৰে নিজৰ সন্তানে ... কৰে তেন্তে পিতৃ-মাতৃয়ে বেয়া অভ্যাস গঠনৰ কাৰণবোৰ জনাৰ চেষ্টা কৰিব ... বেয়া অভ্যাস নিবাময়ৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক ক... শাস্তি প্ৰদান কৰাৰ বিপৰীতে ধৈৰ্য্য সহকাৰে সমস্যা সমাধানৰ প্ৰয়াস কৰিব লাগে।

৫। **জেপ খৰচ প্ৰদান (Providing Pocket Money) :** কিশোৰ-কিশোৰীসকলক মাক-দেউতাকে এক নিৰ্দিষ্ট পৰিমাণৰ জেপ খৰচ প্ৰদান কৰিব লাগে আৰু নিজাববীয়াকৈ খৰচ কৰিবলৈ দিব লাগে। জেপ খৰচ বেছিকৈ দিব নালাগে নহ'লে ই তেওঁলোকৰ মাজত বেয়া অভ্যাস বিকশাই তুলিব।

৬। **শিশুৰ কাৰ্যকলাপৰ নিৰীক্ষণ (Supervise the Child's Activities) :** মাক-দেউতাকে নিজ সন্তানৰ কাৰ্যকলাপবোৰ নিৰীক্ষণ কৰিব লাগে। শিশুসকলে কাৰ লগত বন্ধুত্ব কৰে আৰু বন্ধুৰ লগত কেনে আচৰণ কৰে সেয়া পৰোক্ষভাৱে নিৰীক্ষণ কৰিব লাগে।

৭। **উপযুক্ত বিনোদৰ সুবিধা প্ৰদান (Providing Proper Recreational Facilities) :** ল'ৰা-ছোৱালীক ঘৰত বিনোদনৰ উপযুক্ত সুবিধা প্ৰদান কৰিব লাগে যাতে বাহিৰৰ তুলনাত ঘৰত থাকি ল'ৰা-ছোৱালীয়ে বেছি আনন্দ লাভ কৰে।

৮। **উপযুক্ত শিক্ষা প্ৰদান (Providing Proper Education) :** ল'ৰা-ছোৱালীয়ে উপযুক্ত শিক্ষাৰ সুবিধা লাভ কৰাৰ ওপৰত পিতৃ-মাতৃয়ে গুৰুত্ব দিব লাগে। পিতৃ-মাতৃ অধিক শিক্ষিত নহ'লেও নিজৰ সন্তানৰ পঢ়া কৰ্মৰ তদাৰক কৰিব লাগে আৰু নিয়মীয়াকৈ পঢ়িবলৈ দিব লাগে।

৯। **শিশুক আত্মনিৰ্ভৰশীল কৰি তোলা (Making Children Self-Sufficient) :** শিশুৱে নিজৰ ব্যক্তিগত কৰ্মৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ ওপৰত অধিক নিৰ্ভৰশীল হ'ব নালাগে। শিশুসকল ডা... হোৱাৰ লগে লগে নিজৰ কামবোৰ নিজেই কৰিব লাগে। ইয়ে সিহঁতৰ আত্মনিৰ্ভৰশীল চি... বিকাশত সহায় কৰে।

১০। **উপযুক্ত নিৰ্দেশনা প্ৰদান (Provide Proper Guidance) :** ভৱিষ্যতৰ বাবে পিতৃ-... নিজৰ সন্তানক নিৰ্দেশনা প্ৰদান কৰিব লাগে। যদি এই ক্ষেত্ৰত পিতৃ-মাতৃয়ে অপাৰগ ... আনৰ সহায় ল'ব লাগে।

...লৈই
...ল'ৰা-
...ৰিয়ালে
...ত উপযুক্ত
...ৱেশ প্ৰদান
...ৰিবলৈ বাধ্য
... : পিতৃ-মাতৃয়ে
...ভাৱে শুনিব লাগে
...ক-দেউতাক অধিক

**(খ) বিদ্যালয়ৰ ভূমিকা (Role of School) :** অপৰাধ প্ৰৱণতাৰ সমস্যা সমাধানৰ ক্ষেত্ৰত বিদ্যালয়ৰ ভূমিকা অপৰিসীম। বিদ্যালয়বোৰ হ'ল গণতন্ত্ৰৰ দুৰ্গস্বৰূপ। সেয়েহে বিদ্যালয়ত কিশোৰ-কিশোৰীসকলৰ আচৰণ সংশোধনৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই বিষয়ে তলত উল্লেখ কৰা হ'ল —

১। **ভাল শিক্ষক (Good Teachers) :** বিদ্যালয়ত ভাল আৰু উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক থাকিব লাগে যাতে ছাত্ৰ-ছাত্ৰীৰ সমস্যাবোৰ মনোবৈজ্ঞানিকভাৱে সমাধান কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ প্ৰতি শিক্ষকসকল সহানুভূতিশীল হ'ব লাগে।

২। **শিশুকেন্দ্ৰিক শিক্ষা (Child Centred Education) :** বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক সিহঁতৰ নিজস্ব আগ্ৰহ আৰু দক্ষতা অনুসৰি শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত প্ৰয়োজন, দক্ষতা, প্ৰৱণতা আদিবোৰ পূৰ কৰিব পাৰিব লাগে।

৩। **শ্ৰৱণ-দৰ্শন সঁজুলিৰ প্ৰয়োগ (Use of Audio-Visual Aids) :** ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰিবৰ বাবে আৰু মনোযোগ বৰ্তাই ৰাখিবৰ বাবে শিক্ষকে শ্ৰেণীকোঠাৰ শিক্ষাদানত বিভিন্ন শ্ৰৱণ-দৰ্শন সঁজুলিৰ ব্যৱহাৰ কৰিব লাগে। এই সঁজুলিবোৰ ছাত্ৰ-ছাত্ৰীৰ বয়স অনুপাতে প্ৰয়োগ কৰিব লাগে।

৪। **নিয়ন্ত্ৰিত স্বাধীনতা (Controlled Freedom) :** বিদ্যালয়ৰ অনুশাসন অধিক কঠোৰ নাইবা অধিক নৰম হ'ব নালাগে। ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ত বিকাশ সাধন কৰিবৰ বাবে নিয়ন্ত্ৰিত স্বাধীনতা প্ৰদান কৰিব লাগে।

৫। **বিনোদনৰ উপযুক্ত সুবিধাৰ ব্যৱস্থা (Providing Proper Recreational Facilities) :** বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক সুস্থ বিনোদনৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে যাতে সিহঁতে আজৰি সময়খিনি ভালদৰে অতিবাহিত কৰিব পাৰে। আজৰি সময়ত ছাত্ৰ-ছাত্ৰীক ভাল কামত জড়িত কৰি ৰাখিবৰ বাবে বিদ্যালয়তে সামাজিকভাৱে উপযোগী উৎপাদনশীল কৰ্মৰ ব্যৱস্থা কৰিব লাগে।

৬। **পুথিভঁড়ালৰ উপযুক্ত সুবিধা (Proper Library Facilities) :** পুথিভঁড়ালক শিক্ষানুষ্ঠান এখনৰ আত্মাস্বৰূপে গণ্য কৰা হয়। সেয়েহে বিদ্যালয়ত ভাল কিতাপেৰে এটা ভাল পুথিভঁড়াল থাকিব লাগে। ছাত্ৰ-ছাত্ৰীয়ে পুথিভঁড়ালৰ প্ৰতি আকৰ্ষিত হোৱা দৰকাৰ। সেইবাবে পুথিভঁড়ালত ছাত্ৰ-ছাত্ৰীৰ ভিন্নমুখী আগ্ৰহৰ কিতাপ-পত্ৰ থকা প্ৰয়োজন।

৭। **শিক্ষক আৰু অভিভাৱকৰ মাজৰ সমন্বয় (Co-ordination between Teachers and Parents) :** বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ মাজত উপযুক্ত সমন্বয় থকা প্ৰয়োজন। ইয়ে ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমাধানত উপযুক্ত বৰঙণি আগবঢ়ায়। ইয়ে ছাত্ৰ-ছাত্ৰীৰ

কাৰ্যসূচীবোৰৰ ওপৰত অভিভাৱকে চকু ৰখাত সহায় কৰে।

৮। **প্ৰতিকাৰমূলক নিৰ্দেশনা (Remedial Instruction) :** অপৰাধ প্ৰৱণতা নিৰাময়ৰ বাবে প্ৰতিকাৰমূলক নিৰ্দেশনা অতি গুৰুত্বপূৰ্ণ। নিম্ন বুদ্ধ্যাংকৰ ল'ৰা-ছোৱালী বেছিকৈ অপৰাধ প্ৰৱণ কাৰ্যত লিপ্ত হোৱা দেখা যায়। সেয়েহে নিম্ন বুদ্ধিৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিকাৰমূলক নিৰ্দেশনা প্ৰদান কৰাটো অপৰিহাৰ্য কৰি তুলিব লাগে।

**(গ) সমাজৰ ভূমিকা (Role of Society) :** কিশোৰ-কিশোৰীৰ অপৰাধ-প্ৰৱণ আচৰণ নিৰাময় কৰাত সমাজেও এক প্ৰধান ভূমিকা গ্ৰহণ কৰে। সমাজৰ ভূমিকাৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

১। **সাধাৰণ সুবিধা প্ৰদান (Providing Basic Amenities) :** দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলক সাধাৰণ সুবিধাবোৰ প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিয়নো পৰিয়ালৰ দৰিদ্ৰতাৰ বাবেও বহুতো কিশোৰ-কিশোৰীয়ে অপৰাধ প্ৰৱণ কাৰ্য সম্পাদিত কৰা দেখা। ই সেয়েহে চৰকাৰীভাৱে পৰ্যায়ৰ স্কুলীয়া ল'ৰা-ছোৱালীক বিনামূলীয়াকৈ শিক্ষা প্ৰদান কৰা উচিত।

২। **যুৱ বিদ্ৰোহৰ বিৰুদ্ধে থিয় হোৱা (Stand Against Youth Violence) :** অপৰাধ প্ৰৱণ কাৰ্যৰ বহুতো কাৰণৰ ভিতৰত এটা হ'ল যুৱ বিদ্ৰোহ। যিসকল কিশোৰ-কিশোৰীয়ে ঘৰ, বিদ্যালয় আৰু অন্য স্থানত বিদ্ৰোহ কৰে সেইসকলে প্ৰতিহিংসা বা পলায়নৰ বাবে যিকোনো অপৰাধ কৰিব পাৰে। সমাজৰ সকলো লোকে মিলিত হৈ এই যুৱ বিদ্ৰোহৰ মোকাবিলা কৰাৰ বাবে একগোট হৈ থিয় হোৱা উচিত।

৩। **সামাজিক, নৈতিক আৰু শ্ৰেণী পাৰ্থক্যৰ উৰ্ধত চিন্তা (Think Beyond Social, Ethical and Class Difference) :** যুৱ অপৰাধ আৰু সামাজিক, নৈতিক আৰু শ্ৰেণী পাৰ্থক্যৰ মাজত এক শক্তিশালী সম্বন্ধ আছে। এই পাৰ্থক্যৰ বাবে কিশোৰ-কিশোৰীসকলে নীচাত্মিকবোধত ভোগ। সমাজে সেয়েহে অপৰাধ প্ৰৱণ আচৰণ ৰোধ কৰিবৰ বাবে সামাজিক, নৈতিক আৰু শ্ৰেণী পাৰ্থক্যৰ উৰ্ধত চিন্তা কৰিব লাগে আৰু শ্ৰেণীবিহীন সমাজ গঠনৰ বাবে প্ৰয়াস কৰিব লাগে।

৪। **আইনৰ দ্বাৰা নিষিদ্ধ (Ban by Law) :** ধূমপান কৰা, মাদক দ্ৰব্য সেৱন আদি কিশোৰ-কিশোৰীসকলক মাজত নিষিদ্ধ কৰাত আইনে গুৰুত্ব দিব লাগে। আইনৰদ্বাৰা শিশু শ্ৰমিকৰ দৰে সামাজিক সমস্যাবোৰ সমাধান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

অপৰাধ প্ৰৱণতাৰ দৰে জটিল আৰু ভয়াবহ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত পৰিয়াল, বিদ্যালয় আৰু সমাজ ওপৰোক্ত ধৰণেৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। এই সমস্যাৰ সমাধানে আমাৰ ভৱিষ্যতে প্ৰজন্মক সামগ্ৰিকভাৱে বিকশাই তুলিব পাৰিব।

## Drug Addiction) :

জ্বলন্ত সমস্যা হ'ল মাদক দ্ৰব্যৰ আসক্তি। এই আসক্তিৰ বাবে ব্যক্তিৰ স্বাভাৱিক
প্ৰকাশ পোৱাৰ লগতে সমাজৰ সুস্থ পৰম্পৰাৰ প্ৰতিও প্ৰত্যাহ্বান হিচাপে গা
দ্ৰব্যৰ আসক্তিৰ ফলত ব্যক্তিৰ অস্বাভাৱিক আচৰণে সমাজত বিসংগতিৰ সৃষ্টি
স্থাই (World Health Organisation) মাদক দ্ৰব্য আসক্তিৰ তিনিটা গুৰুত্বপূৰ্ণ
কৰিছে। সেয়া হ'ল—

আসক্তি বা অনিবাৰ্য প্ৰয়োজনত গ্ৰহণ কৰা নিয়মিত সেৱন।
মাত্ৰা বৃদ্ধিৰ প্ৰৱণতা কৰা।
বা শাৰীৰিক প্ৰয়োজনৰ বাবে গ্ৰহণ কৰা সেৱন।

আসক্তি ব্যৱহাৰিকসকলৰ শাৰীৰিক নিৰ্ভৰশীলতাৰ ওপৰত প্ৰতিষ্ঠিত। গাজা বা
ন কৰা হিৰ'ইন, কোকেইন বা LSD লোৱা, মৰফিন ইনজেকচন লোৱা, মদিৰা পান
হ'ল কেতবোৰ মাদক দ্ৰব্য যিবোৰৰ প্ৰতি আমাৰ যুৱচাম অতি সহজেই আসক্ত হয়।

## ব্যৰ আসক্তিৰ কাৰণবোৰ (Causes of Drug Addiction)

ব্যৰ আসক্তিৰ বিভিন্ন কাৰণ থকা দেখা যায়। কেইটামান প্ৰধান কাৰণ তলত দিয়া ধৰণে
ৰিব পাৰি।

**ক কাৰণ (Mental Causes) :**
ধাৰণতে দেখা যায় যে উদ্বেগৰ পৰা মুক্তি, হতাশা হ্ৰাস কৰা, বিৰক্তি আঁতৰাবলৈ আগ্ৰহক সন্তুষ্ট
ক্লান্তি আঁতৰাবলৈ, উত্তেজনা বৃদ্ধি কৰিবলৈ, উচ্চ অনুকম্পা আৰু বিশ্বাসৰ ভাৱ তথা সামাজিক
া বৃদ্ধি কৰিবলৈ সমাজৰ এক শ্ৰেণীৰ লোক মাদক দ্ৰব্যৰ অপব্যৱহাৰ কৰা দেখা যায়।

**িক কাৰণ (Physical Causes) :**
যুৱকসকলে বিভিন্ন দৈহিক কাৰণৰ অজুহাততো মাদক দ্ৰব্যৰ অপব্যৱহাৰ কৰা দেখা যায়। সজাগ
কিবলৈ, যৌন অভিজ্ঞতা বৃদ্ধি কৰিবলৈ, দুখ আঁতৰাবলৈ আৰু কেতিয়াবা টোপনি যাবলৈও মাদক
অপব্যৱহাৰ কৰা দেখা যায়।

**সামাজিক কাৰণ (Social Causes) :**
কিছুমান সামাজিক কাৰকৰ বাবেও বৰ্তমান প্ৰজন্মও মাদক দ্ৰব্যৰ অপব্যৱহাৰ কৰা দেখা যায়।
জিক অভিজ্ঞতাবোৰ সহজ কৰা, বন্ধুৰ দ্বাৰা গ্ৰহণ কৰা, সামাজিক মূল্যবোধক প্ৰত্যাহ্বান জনোৱা
দিৰ বাবেও তেওঁলোকে মাদক দ্ৰব্যৰ ব্যৱহাৰ কৰে।



**৪। বিবিধ কাৰণ (Miscellaneous Causes) :**
এইবোৰৰ বাহিৰেও আন কিছুমান কাৰকৰ বাবেও ব
উন্নতি আৰু অকৃতকাৰ্যতাৰ ভয় দূৰ কৰা, ধৰ্মীয় অন্তঃদৃ
ব্যক্তিগত সমস্যা সমাধান আদিৰ বাবেও মাদক দ্ৰব্যৰ
প্ৰথম অৱস্থাত ব্যক্তিয়ে সংঘাতৰ পৰা নিজকে
হয় আৰু পিছলৈ ইয়াৰ ব্যৱহাৰ কৰাটো অভ্যাসত
অপৰিপক্কতা আৰু আত্মবিশ্বাসৰ অভাৱৰ ফলত এজ
মনোবিজ্ঞানী বেকনৰ (Beckon) মতে এই
(ক) ব্যক্তি এজনৰ নিজৰ বিষয়ে থকা ধাৰণ
(খ) আনৰ পৰা সন্মান আৰু মৰম আহৰণ
(গ) নিজস্বত্তসহ আন লোকৰ সৈতে সংঘ
(ঘ) সমালোচনাৰ সন্মুখীন হোৱা।
(ঙ) বাৰে বাৰে অশান্তিৰ সৃষ্টি হোৱা।
(চ) সকলো নিৰাপত্তা স্বত্বাধিকাৰ সূত্ৰে
(ছ) নিজৰ লক্ষ্যত উপনীত হ'বলৈ গ্ৰহ
(জ) যৌন সম্পৰ্কীয় বিষয় ইত্যাদি।

## মাদক দ্ৰব্যৰ আসক্তিৰ প্ৰতিকাৰ আৰু
Addition) :

মাদক দ্ৰব্যৰ আসক্তি এক জটিল সমস
ব্যক্তিৰে নৈতিক দায়িত্ব। তলত উল্লেখ ক
অৱলম্বন কৰি এই সমস্যা নিৰাময় ক
১। **মাদক দ্ৰব্যৰ বিষয়ে শিক্ষাদান**
ব্যৱহাৰৰ বেয়া প্ৰভাৱৰ বিষ
কৰিব লাগে। বিদ্যালয়, মহ
এই কাৰ্য সমাধা কৰিব ল
থাকে। এওঁলোকৰ বাহিৰে
ব্যক্তি তথা অন্যান্য লো
মাদক দ্ৰব্য সেৱন কৰ
ছাত্ৰ-ছাত্ৰীসকলক দে
মুকলিভাৱে মাদক

মাদক দ্ৰব্যৰ অপব্যৱহাৰ কৰে। অধ্যয়নৰ
ক্ষ কৰা, আত্ম উপলব্ধিৰ গভীৰতা আৰু
ৱহাৰ হ্রাস কৰা দেখা যায়।
ত ৰাখিবৰ বাবে মাদক দ্ৰব্যৰ প্ৰতি আসক্ত
ত হয়। মনোবিজ্ঞানীসকলৰ মতে আৱেগিক
ক্তিয়ে সঘনাই মাদক দ্ৰব্য ব্যৱহাৰ কৰে।
াৰ প্ৰধান কাৰণবোৰ হ'ল—

া।
লিপ্ত হোৱা।

াভ কৰা।
কৰা দায়িত্ববোধ আৰু

## নিয়ন্ত্ৰণ (Prevention and Control of Drug

া। এই সমস্যা সমাধান কৰাটো সমাজৰ প্ৰত্যেকজন সচেতন
ৰা মাদক দ্ৰব্যৰ আসক্তিৰ প্ৰতিকাৰ আৰু নিয়ন্ত্ৰণৰ উপায়সমূহ
ৰিব পৰা যায়।
**(Imparting Education about Drugs) :** মাদক দ্ৰব্য
ব্যক্তিসকলক শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ
দ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকসকলক প্ৰশিক্ষণ প্ৰদান কৰি
কিয়নো তেওঁলোক প্ৰত্যক্ষভাৱে যুৱ-প্ৰজন্মৰ লগত জড়িত
বস্তি অঞ্চলত থকা ব্যক্তি, ঔদ্যোগিক কৰ্মী, নিম্ন মজুৰি পে
কলকো এই বিষয়ে সজাগ কৰিব লাগে। দৃশ্য-শ্ৰাব্য সজুঁলিৰ সহ
ক্তিৰ অৱস্থা আৰু পৰিনাম কেনে হয় সেয়া এই ব্যক্তিসকল
ৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সমাজৰ সকলো
বেয়া প্ৰভাৱৰ বিষয়ে জনোৱাৰ ব্যৱস্থা কৰিব লাগে।

২। **শৰীৰতত্ত্ববিদৰ মনোভাৱৰ সলনিকৰণ (Changing Attitude of the Physicians) :** শৰীৰতত্ত্ববিদৰ পৰামৰ্শ মতে দিয়া বহুত বেছি মাদক দ্ৰব্যৰ দৃষ্টিভংগী সলনি কৰি মাদক দ্ৰব্যৰ অপব্যৱহাৰৰ নিয়ন্ত্ৰণ কৰিব পাৰি। চিকিৎসকসকলে মাদক দ্ৰব্যৰ প্ৰতি আসক্ত নহ'বলৈ উচিত পৰামৰ্শ প্ৰদান কৰিব লাগে। যদিও মাদক দ্ৰব্যই বহুতকে সহায় কৰে, তথাপি ইয়াৰ ওপৰত বেছি নিৰ্ভৰশীলতাই বিপদৰো সৃষ্টি কৰে। সেয়েহে এইক্ষেত্ৰত অধিক সতৰ্কতা অৱলম্বন কৰিব লাগে।

৩। **অনুকৰণ অধ্যয়ন (Follow up Study) :** অনুকৰণ অধ্যয়নৰ যোগে মাদক দ্ৰব্যৰ আসক্তকাৰীৰ চিকিৎসাৰ অধ্যয়ন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

৪। **কঠোৰ শাস্তি প্ৰদান (Provide Strict Punishment) :** মাদক দ্ৰব্যৰ বেপাৰীৰ লগতে চক্ৰান্ত কৰাসকলক আৰক্ষী লোক আৰু আইনৰ আন আন লোকসকলে বাধাজনক কঠোৰ শাস্তি প্ৰদান কৰা উচিত।

৫। **পিত-মাতৃৰ ভূমিকা (Role of Parents) :** নিজৰ সন্তানৰ মাদক দ্ৰব্যৰ আসক্তি নিয়ন্ত্ৰণৰ বাবে পিতৃ-মাতৃসকলে প্ৰধান ভূমিকা গ্ৰহণ কৰা উচিত। পিতৃ-মাতৃসকলে পৰিয়ালৰ পৰিৱেশ শান্তিপূৰ্ণ, আনন্দদায়ক আৰু মৰম-ভালপোৱাৰ ভৰপূৰ কৰি ৰখাৰ প্ৰয়াস কৰিব লাগে। নিজ সন্তানৰ দায়িত্বহীন আচৰণৰ ক্ষেত্ৰত পিতৃ-মাতৃসকল সদা সতৰ্ক হৈ থাকিব লাগে। ইয়াৰ বাহিৰেও নিজ সন্তানৰ মাদক দ্ৰব্যৰ আসক্তি নোহোৱা কৰিবৰ বাবে তলৰ কাৰ্য ব্যৱস্থাবোৰ পিতৃ-মাতৃয়ে গ্ৰহণ কৰা উচিত—

(i) তেওঁলোকে নিজ সন্তানৰ লগত মুকলিমৰীয়াকৈ যোগাযোগ কৰিব লাগে, সিহঁতৰ সমস্যাবোৰ ধৈৰ্যসহকাৰে শুনিব লাগে আৰু সমস্যাবোৰ সমাধানৰ বাবে কৌশল শিকাব লাগে।

(ii) নিজ সন্তানৰ কাৰ্যকলাপ আৰু বন্ধুবৰ্গৰ প্ৰতি আগ্ৰহ প্ৰদৰ্শন কৰিব লাগে।

(iii) পিতৃ-মাতৃসকলে নিজেও মাদক দ্ৰব্যৰ প্ৰতি আসক্ত হ'ব নালাগে আৰু উদাহৰণ দেখুৱাব লাগে।

(iv) নিজ সন্তানে কোনো বেমাৰত কিবা মাদক দ্ৰব্যৰ প্ৰয়োগ কৰিছে নে নাই আৰু যদি কৰিছে কেনে প্ৰয়োগ কৰিছে সেই সম্বন্ধে সজাগ হ'ব লাগে।

(v) সম্ভৱতঃ যিমান দূৰ সম্ভৱ মাদক দ্ৰব্যবোৰৰ বিষয়ে পিতৃ-মাতৃৰ জ্ঞান থকা উচিত।

৬। **শিক্ষকৰ ভূমিকা (Role of Teachers) :** ছাত্ৰ-ছাত্ৰীৰ মাদক দ্ৰব্যৰ আসক্তি নিৰাময়ত শিক্ষক সকলেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। যেনে—

(i) শিক্ষকে মুক্তভাৱে আৰু অনানুষ্ঠানিকভাৱে মাদক দ্ৰব্যৰ ভয়াৱহতাৰ বিষয়ে ছাত্ৰ-

ছাত্ৰীসকলক বুজাব লাগে।

(ii) ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন কাৰ্যসূচীৰ প্ৰতি শিক্ষকসকল আগ্ৰহী হ'ব লাগে।

(iii) মাদক দ্ৰব্যৰ অপব্যৱহাৰৰ যিকোনো তথ্য স্বইচ্ছাৰে প্ৰদান কৰাৰ বাবে শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ যোগাব লাগে।

(iv) কৈশোৰ কালৰ সমস্যাবোৰ শিক্ষকে মুক্তভাৱে ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিব লাগে আৰু সমাধানৰ উপায়বোৰ প্ৰদান কৰিব লাগে।

(v) বৃত্তি বাচনি আৰু লক্ষ্য নিৰ্ধাৰণ কৰাৰ বেলিকা শিক্ষকে ছাত্ৰ-ছাত্ৰীক সহায় কৰিব লাগে।

এইদৰে বিভিন্ন কাৰ্য ব্যৱস্থা গ্ৰহণ কৰি মাদক দ্ৰব্যৰ আসক্তিৰ দৰে সমস্যা নিৰাময় আৰু নিয়ন্ত্ৰিত কৰিব পাৰি আৰু সমাজখনক বিকশাই তুলিব পাৰি।

## যুৱ-উচ্ছৃংখলতা (Youth Unrest)

অপৰাধ প্ৰৱণতাৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ থকা আন এক গুৰুত্বপূৰ্ণ সমস্যা হ'ল যুৱ উচ্ছৃংখলতা। গণমাধ্যমসমূহৰ জৰিয়তে প্ৰতিদিনেই আমি বিভিন্ন দেশত সংঘটিত বিভিন্ন যুৱ উচ্ছৃংখলতাৰ বাতৰি পঢ়িবলৈ আৰু শুনিবলৈ পাওঁ। দেশ এখনৰ যুৱ শক্তিয়ে যেতিয়া পথভ্ৰষ্টমূলক কাৰ্য সংঘটিত কৰি সমাজৰ পৰিৱেশ অস্থিৰ কৰে তেতিয়া ইয়াৰ প্ৰভাৱে সমাজখনৰ জীৱন ধাৰণৰ মানদণ্ডৰ ওপৰত প্ৰভাৱ পেলায় আৰু সামাজিক মূল্যবোধৰ অৱক্ষয় ঘটে। সাধাৰণ যুৱকসকলৰ দ্বাৰা সংঘটিত বিভিন্ন কাৰ্য, বিদ্ৰোহ, প্ৰতিবাদ আদিৰ সৈতে যুৱ-উচ্ছৃংখলতা জড়িত। চি. এন. শংকৰাৰাও (C. N. Sankar Rao) ৰ মতে, "যুৱ উচ্ছৃংখলতাক ছাত্ৰ-আন্দোলন, ছাত্ৰ ক্ষমতা আৰু ই ছাত্ৰৰ কাৰ্যস্বৰূপে বৰ্ণনা কৰা হয় আৰু বৰ্তমানৰ এক প্ৰতিষ্ঠিত তথ্য আৰু বাস্তৱ।"

যুৱ উচ্ছৃংখলতা হ'ল যুৱক-যুৱতীসকলৰ সমূহীয়া অসন্তুষ্টিৰ বহিৰ্প্ৰকাশ। যেতিয়া সমাজত প্ৰচলিত আদৰ্শসমূহ যুৱ সমাজে অকাৰ্যকৰী আৰু ক্ষতিকাৰক বুলি অনুভৱ কৰে, তেতিয়া এনে ধৰণৰ অসন্তুষ্টি প্ৰকট হৈ উঠে। যুৱক-যুৱতীসকলক মানৱ সমাজৰ এক সমূহ নাইবা দল হিচাপে বিবেচনা কৰা হয়। ই মানুহৰ এছোৱা বয়সৰ কথা বুজায়। ই হৈছে এনেকুৱা এক ধাৰণা যিটোৱে ভিন্ন ধৰণৰ সাহিত্যতো স্থান পাইছে। মৌলিকভাৱে ই মানুহৰ বৃদ্ধি আৰু বিকাশৰ সৈতে জড়িত জীৱ বিজ্ঞানৰ এক ধাৰণা যদিও শিক্ষা, মনোবিজ্ঞান, নৃতত্ত্ব, সমাজতত্ত্ব আৰু জনসংখ্যা গাঁথনিৰ দৰে বিষয়বোৰতো ই এক অধ্যয়ন ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। ২১-৩৫ৰ এই সময়ছোৱা জীৱনৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ। কিয়নো যুৱক-যুৱতীসকল এই সময়ছোৱাত বিভিন্ন অভিজ্ঞতাৰে পৰিপক্ক হৈ উঠে। এই অভিজ্ঞতাবোৰে তেওঁলোকক পৰৱৰ্তী জীৱনত সিদ্ধান্ত গ্ৰহণত সহায় কৰে। ই হৈছে এনেকুৱা এক সময় য'ত পৰিয়াল, বৃত্তিগত দিশ, অৰ্থনৈতিক, সামাজিক উদ্দেশ্যসমূহে সমাজত প্ৰতিষ্ঠা লাভৰ পথ

বিচাৰি ফুৰে। সেয়েহে এই সময়ছোৱাক মানৱ জীৱনৰ বিকাশৰ এক গুৰুত্বপূৰ্ণ সময় হিচাপে চিহ্নিত কৰা হয়। যুৱক-যুৱতীসকলক মানৱ সমাজৰ এক বিশেষ শ্ৰেণী অথবা সমূহ হিচাপে বিবেচনা কৰা হয়। এই শ্ৰেণীটোক এক নিৰ্দিষ্ট বয়সৰ ব্যক্তিসকলক সামৰা হয়।

উচ্ছৃংখলতা হৈছে এক অস্বস্তিকৰ সামাজিক পৰিস্থিতি। এনে পৰিস্থিতিয়ে অসন্তুষ্টি আৰু বিভ্ৰান্তিৰ কথা প্ৰকাশ কৰে। যুৱ উচ্ছৃংখলতা বুলিলে সমাজত যুৱক-যুৱতীসকলৰ সমূহীয়া অসন্তুষ্টি নৈৰাশ্য আৰু বিভ্ৰান্তিৰ প্ৰকাশ ঘটাৰ কথাকে বুজোৱা হয়। যেতিয়া সমাজত প্ৰচলিত প্ৰতিমান অথবা আদৰ্শসমূহ অচল অথবা অকাৰ্যকৰী আৰু ক্ষতিকাৰক বুলি যুৱক-যুৱতীসকল অনুভৱ কৰে তেতিয়াই তেওঁলোকে নৈৰাশ্য অথবা অসন্তুষ্টি ব্যক্ত কৰে। পৰিণতি স্বৰূপে তেওঁলোকে প্ৰচলিত প্ৰতিমানসমূহ পৰিবৰ্তনৰ বাবে উদ্যত হৈ পৰে। সমাজত বিৰক্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰা প্ৰতিমানসমূহৰ বিপক্ষে যুৱক-যুৱতীসকলে মাজে সময়ে বিদ্ৰোহাত্মক দৃষ্টিভঙ্গী গ্ৰহণ কৰি এইবোৰ নতুন ৰূপত সংগঠিত কৰাৰ প্ৰয়াস কৰে। যুৱ উচ্ছৃংখলতা আৰু সামাজিক উচ্ছৃংখলতাৰ ধাৰণাৰ মাজত আন্তঃসম্পৰ্ক আছে। যেতিয়া যুৱক-যুৱতীসকলে সমাজৰ অসন্তুষ্টিদায়ক আৰু নৈৰাশ্যপূৰ্ণ পৰিস্থিতিৰ প্ৰতি সমূহীয়াভাৱে বিদ্ৰোহাত্মক মনোভাৱ কৰে, তেতিয়াই ইয়াক যুৱ উচ্ছৃংখলতা বুলি জনা যায়। সমাজৰ সমতাহীন পৰিস্থিতিৰ লগত সমাযোজিত হোৱাৰ ত্ৰেত সন্মুখীন হোৱা সমস্যাৰাজিয়ে যুৱক-যুৱতীসকলক আক্ৰোশপূৰ্ণ কৰি তোলে। বিভিন্ন ধৰণৰ যুৱ আন্দোলনৰ সূত্ৰপাত হোৱাৰ মূলতে হ'ল যুৱ সমাজৰ উচ্ছৃংখলতা। যুৱক-যুৱতীসকলৰ আচৰণৰ আঁৰত যিবোৰ অনুভূতি আৰু চেতনাই কাম কৰে তেনে অনুভূতি আৰু চেতনাবোৰৰ মাজত দৃষ্টিগোচৰ হোৱা বিশেষত্ববোৰ তলত দিয়া ধৰণৰ —

১। সমূহীয়া অসন্তুষ্টি
২। দুষ্কৃতি সৃষ্টিকাৰী অৱস্থাসমূহ
৩। ৰাজহুৱা স্বাৰ্থ আৰু
৪। প্ৰচলিত প্ৰতিমানসমূহৰ পৰিবৰ্তনৰ আকাংক্ষা

## যুৱ উচ্ছৃংখলতাৰ প্ৰকাৰ (Types of Youth Unrest)

যুৱ উচ্ছৃংখলতা বিভিন্ন ধৰণে বিভিন্ন ৰূপত প্ৰকট হৈ উঠে। তলত যুৱ উচ্ছৃংখলতাৰ সাধাৰণতে দেখা পোৱা প্ৰকাৰসমূহৰ চমু আভাস দিয়া হ'ল —

১। **ৰাজনৈতিক কাৰ্যকলাপ আৰু আন্দোলন (Political Activities and Movement) :** কোনো কোনো ক্ষেত্ৰত যুৱ-উচ্ছৃংখলতা বৃহৎ ৰাজনৈতিক আন্দোলনৰ সৈতে জড়িত হৈ থকা দেখা যায়। ছাত্ৰ-সমাজে প্ৰায়ে ৰাজনৈতিক বিষয়বস্তু সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰে আৰু অন্য যুৱ সংগঠন আৰু ৰাজনৈতিক দলৰ সৈতে হাতে হাত মিলাই সেই বিষয়বস্তুৰ সপক্ষে নাইবা

বিপক্ষে যুদ্ধত লিপ্ত হৈ পৰে। সীমান্ত সম্পৰ্কীয় বিৰোধ, মূল্যবৃদ্ধি, জল-বিবাদ, ভাষা আন্দোলন, জৰুৰীকালীন অৱস্থা, মন্ত্রী বৰ্খাস্তকৰণ ইত্যাদি বিভিন্ন ধৰণৰ ৰাজনৈতিক আন্দোলনৰ সৈতে ছাত্র-ছাত্রীৰ অংশগ্রহণৰ ইতিহাস সাক্ষী হৈ আছে। বিদ্রোহী দৃষ্টিভঙ্গীৰ প্রকাশ স্বৰূপে তেওঁলোকে প্রতিবাদী সমদল আৰম্ভ কৰে, বিক্ষোভ প্রদর্শন কৰে, পুলিচ আৰু কৰ্তৃপক্ষৰ সৈতে সংঘৰ্ষ আৰু হিংসাত্মক কাৰ্যত লিপ্ত হয়।

২। **শৈক্ষিক দিশৰ উন্নতিৰ বাবে ছাত্র-সমাজে কৰা আন্দোলন (Students Agitations for Educational Courses) :** ছাত্র-ছাত্রীসকলে শৈক্ষিক কাৰণৰ বাবেও আন্দোলনত অৱতীর্ণ হোৱা দেখা যায়। প্রবক্তা নিযুক্তিৰ দাবী, যথেষ্ট পৰিমাণে পৰীক্ষাগাৰৰ সা-সঁজুলি যোগান আৰু গ্রন্থাগাৰৰ বাবে গ্রন্থৰ যোগান, পৰীক্ষা পদ্ধতি আৰু প্রশ্নকাকতসমূহৰ সংস্কাৰ সাধন, শিক্ষাৰ্থীসকলৰ স্বীকৃতি, বিশ্ববিদ্যালয়সমূহত ছাত্র একতা সভাত অংশগ্রহণ, প্রশাসনিক কৰ্তৃপক্ষবোৰ, যেনে — পৰিচালনা সমিতি, বিদ্যালয়তনিক পৰিষদ সংগঠিতকৰণ, পৰীক্ষাৰ ঘোষণা ইত্যাদি বিভিন্ন দাবী পূৰণৰ অৰ্থে ছাত্র-ছাত্রীসকলৰ মাজত আন্দোলনৰ প্রৱণতা বৃদ্ধি পায়।

৩। **অনা-শৈক্ষিক কৰ্তৃপক্ষৰ বিৰুদ্ধে আন্দোলন (Agitations towards Non-Teaching Authorities) :** ছাত্র-ছাত্রীসকলে অনা-শৈক্ষিক আৰু অ-ৰাজনৈতিক কাৰণৰ বাবেও আন্দোলনত অংশগ্রহণ কৰা দেখা যায়। উদাহৰণ স্বৰূপে, বাছ আৰু ৰেল ভ্ৰমণৰ উপৰি ব্যৱসায়িক বিনোদনমূলক কেন্দ্রসমূহত বিশেষ ৰেহাইৰ সুবিধা বিচাৰি তেওঁলোকে বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে।

৪। **স্বতঃস্ফূৰ্ত ছাত্ৰ আন্দোলন (Spontaneous Student Agitations) :** ছাত্র-ছাত্রীসকলক কেতিয়াবা আকস্মিকভাৱে আৰু অনাকাংক্ষিত ৰূপত আন্দোলন কৰা দেখা যায়। ছাত্র-ছাত্রীসকলে বাছ কণ্ডাক্টৰ, অট'ৰিক্সা চালক, পুলিচ আৰু চৰকাৰী বিষয়াৰ বিৰুদ্ধাচাৰণ কৰি ধৰ্ণাৰ দৰে কাৰ্যসূচী ৰূপায়ণ কৰে। এনে ধৰণৰ বিক্ষোভমূলক কাৰ্যসূচীক যুৱ শক্তিৰ স্বতঃস্ফুৰ্ত বিস্ফোৰণ বুলিব পাৰি। এনেধৰণৰ বিক্ষোভমূলক প্রৱণতাক সযতনে যদি নিয়ন্ত্রণ কৰা নহয়, তেন্তে ভৱিষ্যতে ই অধিক বিপদজনক হৈ উঠিব পাৰে।

## যুৱ-উচ্ছৃংখলতাৰ কাৰণবোৰ (Causes of Youth Unrest) :

যুৱ-উচ্ছৃংখলতাৰ বিভিন্ন কাৰণবোৰ তলত আলোচনা কৰা হ'ল—

১। **অসম্পূৰ্ণ সামাজিকৰণ প্রক্রিয়া আৰু পৰিয়ালৰ সমস্যা (Improper Socialization and Family Problems) :** এখন সুস্থ সমাজৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ হ'লে, সামাজিকৰণ

প্ৰক্ৰিয়াৰ গুৰুত্ব উল্লেখযোগ্য। সামাজিকৰণ প্ৰক্ৰিয়াৰ জৰিয়তেই শিশুসকলক সমাজৰ প্ৰচলিত প্ৰতিমান সম্পৰ্কে অৱগত কৰোৱা হয়। অসম্পূৰ্ণ অথবা আঁসোৱাহপূৰ্ণ সামাজিকৰণ প্ৰক্ৰিয়াই শিশুসকলক সামাজিক প্ৰমূল্যৰ প্ৰতি সচেতন হোৱাৰ ক্ষেত্ৰত সহায় কৰিব নোৱাৰে। ই পথভ্ৰষ্ট হ'বলৈহে শিশুক সহায় কৰিব। ফলত এনে শিশু ক্ৰমে ডাঙৰ হৈ যেতিয়া যুৱক হ'বগৈ তেতিয়া, এইসকলে নৈতিক প্ৰমূল্যৰ প্ৰতি কোনো ধৰণৰ গুৰুত্ব নিদি অসামাজিক কাৰ্যত লিপ্ত হৈ উচ্ছৃংখল আচৰণ প্ৰকাশ কৰিব। এই ক্ষেত্ৰত পৰিয়ালৰ বয়সস্থ লোকসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। যিহেতু পৰিয়ালতেই শিশুৰ সামাজিকৰণ প্ৰক্ৰিয়াৰ আৰম্ভ হয়।

পৰিয়ালত মাক-দেউতাকৰ অসৎ বা অসামাজিক আচৰণেও শিশুৰ ব্যক্তিত্ব বিকাশৰ ওপৰত কু-প্ৰভাৱ পেলায়। যিহেতু ব্যক্তি সত্বাৰ জৰিয়তে সমূহীয়া সত্বা বিকাশ কৰাৰ ক্ষেত্ৰত ব্যক্তিৰ অভিজ্ঞতাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অন্যহাতে পৰিয়ালৰ সমস্যাই মানসিক শান্তি ধ্বংস কৰাৰ লগতে শিশু আৰু যুৱকসকলক উচ্ছৃংখল হ'বলৈ অনুপ্ৰাণিত কৰে।

২। **ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অসমতা (Political, Social and Economic Inequalities) :** সম্প্ৰতি দেশৰ যুৱকসকল ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক আদি দিশৰ প্ৰতি অতি সচেতন। এইসকল যুৱকে এই দিশবোৰত বৈষম্য অথবা অসমতা সহ্য কৰিবলৈ অসুবিধা পায়। আজিৰ সমাজ ব্যৱস্থাক ৰাজনীতিয়ে বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। ৰাজনীতিত জড়িত নেতাৰ কু-প্ৰভাৱৰ বাবে এচাম যুৱকে যোগ্যতা থাকিও নিজৰ প্ৰাপ্যখিনিৰপৰা বঞ্চিত হোৱাৰ বিপৰীতে অন্য এচাম যুৱকে দক্ষতাৰ অবিহনেই সহজ নিযুক্তি, ব্যৱসায়ৰ সুবিধা আদি গ্ৰহণ কৰিছে। আকৌ অৰ্থনীতিৰ সমবিতৰণো দেখা পোৱা নাযায়। এতিয়াও বহু কৰ্মীৰ শ্ৰম আৰু পাৰিশ্ৰমিকৰ মাজত ভাৰসাম্যৰ অভাৱ।

দেশৰ অৰ্থ সম্পদ সমবিতৰণৰ পৰিবৰ্তে এচাম সুবিধাবাদীয়ে অন্যায়ভাৱে নিজৰ কৰি লৈছে। ইয়াৰ উপৰিও, সামাজিক দিশতো সকলো যুৱকে সমানে গুৰুত্ব লাভ কৰাৰ পৰা বঞ্চিত হৈছে। উদাহৰণস্বৰূপে, আজিৰ একবিংশ শতিকাৰ দুৱাৰদলিতো উচ্চ-নীচ জাতিভেদৰ প্ৰথাৰ প্ৰচলন আছে। সেয়ে এনেবোৰ অসমতা আৰু আঁসোৱাহেৰে ভৰপূৰ প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি যুৱকসকলে নৈৰাশ্যৰ ভাৱ প্ৰকাশ কৰি উচ্ছৃংখল জীৱন যাপনৰহে পোষকতা কৰাত আগ্ৰহ প্ৰকাশ কৰে।

৩। **আঁসোৱাহপূৰ্ণ শিক্ষা ব্যৱস্থা (Defective Educational System) :** সম্প্ৰতি প্ৰচলিত আঁসোৱাহপূৰ্ণ শিক্ষা ব্যৱস্থাক যুৱ ছাত্ৰসকলে সন্মান কৰিবলৈ এৰি দিয়াৰ লগতে তেওঁলোকে ভৱিষ্যত অনিশ্চয়তাৰ মাজত ভূগিবলৈ আৰম্ভ কৰিছে। তেওঁলোকে বৰ্তমান প্ৰচলিত শিক্ষাক বৃত্তিমূলক শিক্ষা বুলি গণ্য কৰিব নিবিচাৰে। পুৰণিকলীয়া এই শিক্ষা ব্যৱস্থা পৰিবৰ্তনীয়

অৰ্থনৈতিক ব্যৱস্থাৰ সৈতে খাপ নাখায়। অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাত সহায় নকৰাৰ লগতে নৈতিক সংস্কাৰৰ ক্ষেত্ৰতো ই সহায়ক বুলি ক'ব পৰা নাযায়। সেয়ে গতানুগতিক এই শিক্ষা ব্যৱস্থাৰ ওপৰত আস্থা হেৰুৱাই ইয়াৰ পৰিবৰ্তনৰ বাবে সততে প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰা দেখা যায়। এনেধৰণৰ পুৰণিকলীয়া অপ্ৰয়োজনীয় শিক্ষা ব্যৱস্থাই যুৱকসকলক নিয়মানুবৰ্তিতা আৰু দায়িত্ব জ্ঞানৰ প্ৰতি সচেতন কৰাত অৰিহণা যোগাব নোৱাৰে। ই মাথো যুৱকসকলক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে উচ্ছৃংখল হোৱাৰ ক্ষেত্ৰতহে সহায় কৰিছে।

৪। **নিবনুৱা সমস্যা (Unemployment) :** নিবনুৱা সমস্যা হ'ল যুৱ সমাজৰ উচ্ছৃংখলতাৰ অন্যতম কাৰণ। শিক্ষিত নিবনুৱাৰ ক্ৰমবৰ্ধমান সংখ্যাই এনে সমস্যাক অধিক শক্তিশালী কৰি তুলিছে। প্ৰচলিত শিক্ষাই শিক্ষাৰ্থীক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাত সহায় কৰিব নোৱাৰে। আনহাতে চৰকাৰেও প্ৰয়োজন অনুসৰি সকলো শিক্ষিত যুৱক-যুৱতীৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি কৰিব পৰা এটা অৱস্থালৈ যাব পৰা নাই। ফলস্বৰূপে যুৱ প্ৰজন্মৰ মাজত আত্মবিশ্বাস দুৰ্বল হৈ পৰিছে আৰু তেওঁলোক অধিক অস্থিৰ হৈ পৰিছে।

৫। **দুৰ্নীতি আৰু অসমৰ্থিত কৰ্তৃপক্ষ (Corrupt and Discredited Authority) :** যুৱ প্ৰজন্মই দুৰ্নীতি আৰু অসমৰ্থিত কৰ্তৃপক্ষৰ বাবে চৰম হতাশাগ্ৰস্ততাত ভুগিবলগীয়া হৈছে। দুৰ্নীতি, ক্ষমতা লিপ্সা, নৈতিকতাৰ বিসৰ্জন সুবিধাবাদ, স্বজনপ্ৰীতি, বৈষম্য ইত্যাদি ৰাজনৈতিক আৰু সামাজিক নেতাসকলৰ সহজাত আচৰণ যেন হৈ পৰিছে। এনে নেতৃত্বই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ভাল আৰ্হি অনুকৰণৰ পথ দেখুৱাত ব্যৰ্থ হৈছে।

৬। **ৰাজনৈতিক নেতাৰ দ্বাৰা ছাত্ৰ শক্তিৰ অপব্যৱহাৰ (Misuse of Student power by the Politicians) :** দুৰ্নীতিগ্ৰস্ত আৰু ভ্ৰষ্ট ৰাজনৈতিক নেতাসকলে ছাত্ৰ শক্তিক তেওঁলোকৰ ৰাজনৈতিক স্বাৰ্থ আগবঢ়াই নিয়াৰ বাবে ব্যৱহাৰ কৰে। ৰাজনৈতিক নেতাসকলে ন্যস্ত স্বাৰ্থ চৰিতাৰ্থ কৰাৰ বাবে ছাত্ৰসকলক হাতৰ পুতলাৰ দৰে ব্যৱহাৰ কৰে।

৭। **প্ৰশাসনিক বিফলতা (Administrative Failures) :** প্ৰশাসনিক বিসঙ্গতি আৰু শিথিলতাৰ বাবে মাজে সময়ে যুৱ উচ্ছৃংখলতাই দেখা দিয়ে। বিশ্ববিদ্যালয় আৰু চৰকাৰী কৰ্তৃপক্ষই ছাত্ৰসকলৰ প্ৰতি দেখুওৱা উদাসীন দৃষ্টিভঙ্গী আৰু সহানুভূতিৰ অভাৱে বহু সময়ত ছাত্ৰসকলক বিক্ষোভ প্ৰকাশৰ বাবে ধৰ্মঘটত বহিবলৈ বাধ্য কৰায়।

৮। **যোগাযোগৰ ব্যৱধান (Communication Gap) :** শিক্ষক ছাত্ৰ-ছাত্ৰীসকলৰ মাজত, অভিভাৱক আৰু ল'ৰা-ছোৱালীৰ মাজত বুজা-বুজিৰ অভাৱ আৰু যথোপযুক্ত যোগাযোগৰ ব্যৱধানক যুৱ উচ্ছৃংখলতাৰ এক কাৰণ হিচাপে চিহ্নিত কৰা হৈছে। অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ আকাংক্ষাক বুজি নোপোৱা কথাটোৱে এই সমস্যাক অধিক সক্ৰিয় কৰি তুলিছে।

৯। **প্ৰমূল্যৰ মাজৰ প্ৰভেদ আৰু প্ৰমূল্য সঙ্কট (Value Difference and Conflict of Values)** : পৰিৱৰ্তিত সমাজ জীৱনৰ পৰিণতি স্বৰূপে পুৰণি ধ্যান- ধাৰণা, প্ৰমূল্য, বিশ্বাস আৰু আদৰ্শসমূহ আধুনিক যুৱ প্ৰজন্মৰ বাবে নতুন পটভূমিত অবৈজ্ঞানিক, অযুক্তিকৰ আৰু অপ্ৰাসঙ্গিক হৈ পৰিছে। ফলস্বৰূপে প্ৰমূল্যৰ মাজত প্ৰভেদ সৃষ্টি হৈছে আৰু প্ৰমূল্য সঙ্কটে যুৱ উচ্ছৃংখলতাৰ সমস্যাটোক অধিক শক্তিশালী কৰি তুলিছে। সম্প্ৰতি যুৱ প্ৰজন্ম অধিক যুক্তিবাদী হৈ পৰিছে। তেওঁলোক আধুনিক, বিজ্ঞানসন্মত আৰু যুক্তিবাদী প্ৰমূল্যসমূহৰ প্ৰতি আকৰ্ষিত হোৱা দেখা গৈছে। তথাপিও তেওঁলোকে পৰম্পৰাগত প্ৰমূল্যসমূহ সম্পূৰ্ণ ৰূপে বিসৰ্জন দিয়া বুলি ক'ব নোৱাৰি। তেওঁলোক এক সংশয়পূৰ্ণ অৱস্থাত থাকিবলগীয়া হৈছে। তেওঁলোকে নতুনত্বকো সম্পূৰ্ণৰূপে আঁকোৱালি ল'ব নোৱাৰে অথবা পৰম্পৰাৰ প্ৰতিও অৱহেলাৰ মনোভাৱ পোষণ কৰিব নোৱাৰে। এনে এক পৰিস্থিতিত তেওঁলোক যথেষ্ট পৰিমাণে অস্থিৰ হৈ পৰা দেখা গৈছে। যুৱ প্ৰজন্ম সাধাৰণতে ব্যক্তিবাদী আৰু গণতান্ত্ৰিক উভয় ধৰণৰ প্ৰমূল্যৰ দ্বাৰা প্ৰভাৱিত হোৱা দেখা যায়। সেই বাবে তেওঁলোক কেতিয়াবা পৰম্পৰাৰ বিৰুদ্ধে প্ৰতিবাদী হৈ উঠে। যুৱ প্ৰজন্মই অনুভৱ কৰে যে তেওঁলোকে যথেষ্ট পৰিমানে পৰিপক্ক, দায়িত্বশীল আৰু সংবেদনশীল। তেওঁলোকে প্ৰবীণসকলক অপৰিপক্ক আৰু দায়িত্বহীন বুলি ধৰি লৈ অনুপযুক্ত আচৰণ প্ৰদৰ্শন কৰি প্ৰবীণসকলক ক্ৰোধিত কৰি তোলে। এনে এক অসহায় অৱস্থাত যুৱ প্ৰজন্মই বিৰক্ত আৰু বিব্ৰতবোধ কৰে।

১০। **সুবিধাৰ অভাৱ (Lack of Opportunities)** : যুৱ প্ৰজন্মই তেওঁলোকৰ প্ৰতিভাসমূহ প্ৰকাশৰ বাবে অভিৰুচি অনুযায়ী আগবাঢ়ি যাবলৈ আৰু ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয় সা-সুবিধাসমূহৰ অভাৱ অনুভৱ কৰে। ইয়ে তেওঁলোকৰ অসন্তুষ্টিৰ মাত্ৰা বৃদ্ধি কৰে।

১১। **আকাংক্ষা আৰু প্ৰাপ্তিৰ মাজত থকা ব্যৱধান (Gap between the Aspirations and Achievement)** : যুৱক-যুৱতীসকলৰ নিজ নিজ আকাংক্ষা আৰু লক্ষ্য থকাটো তেনেই স্বাভাৱিক। কিন্তু জীৱনৰ বাস্তৱতাই তেওঁলোকক কেতিয়াবা নিৰাশ কৰে। যুৱক-যুৱতীসকল তেওঁলোকৰ বাস্তৱ ৰূপ নোলোৱা আশা-আকাংক্ষাবোৰৰ সৈতে মানসিক সুস্থিৰ আৰু দৃঢ় হৈ থাকিব বুলি ভাবিব নোৱাৰি।

১২। **দৃঢ়সংকল্পবদ্ধতা আৰু আত্ম-দায়িত্বৰ অভাৱ (Lack of Determination and Self Responsibility)** : কিছুমান যুৱক-যুৱতীৰ মাজত ইচ্ছা শক্তি আৰু আত্মসঙ্কল্পৰ অভাৱ দেখা যায়। তেওঁলোক নিজৰ আভ্যন্তৰীণ ক্ষমতা আৰু প্ৰতিভা থকা সত্বেও বহুলাংক্ষে আনৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। আনক অনুকৰণ কৰাৰ প্ৰৱণতাৰ যুৱক-যুৱতীয়ে নিজৰ বাবে আত্মনিৰ্ভৰশীলতা নিজ বিকশিত কৰাত ব্যৰ্থ হয়। এনে যুৱক-যুৱতীক বিভিন্ন ক্ষেত্ৰত সমস্যাৰ মুখামুখি হোৱা দেখা যায়।

১৩। **বোলছবিৰ প্ৰভাৱ (Influence of Movies) :** আধুনিক বোলছবিবোৰত দেখুওৱা হিংসা, বিদ্বেষ, লুণ্ঠন, ধৰ্ষণ, হত্যা, অৰ্থনৈতিকতা, অপৰাধ ইত্যাদিয়ে আধুনিক যুৱ সমাজত এক নেতিবাচক প্ৰভাৱ পেলোৱা দেখা যায়। তেওঁলোকৰ নিজ সাংস্কৃতিক প্ৰমূল্যৰ প্ৰতি বিৰাগ আৰু পশ্চিমীয়া দেশসমূহৰ সংস্কৃতিৰ প্ৰতি অন্ধ অনুকৰণৰ প্ৰৱণতাই এই সমস্যা বৃদ্ধিত সহায় কৰিছে। প্ৰাপ্তবয়স্ক জগতখনেও এই কথা স্বীকাৰ কৰিছে যে যুৱ সমাজৰ সমস্যাবোৰ তেওঁলোকৰ সৈতে মিলিহে সমাধান কৰিব পৰা যাব। সেই কাৰণে অভিভাৱক, শিক্ষক, শৈক্ষিক প্ৰশাসক, ৰাজনীতিবিদ আদি আটায়ে এই দিশত ছাত্ৰ আৰু যুৱকসকলৰ সহযোগিতা বিচাৰিব লাগে। ৰাজনৈতিক দলসমূহেও সহযোগিতামূলক মনোভাৱেৰে যুৱ প্ৰজন্মৰ সমস্যা অথবা আপত্তিজনক আচৰণবোৰ ভালদৰে বিচাৰ বিশ্লেষণ কৰি তেওঁলোকক যুক্তিসঙ্গত পথ নিৰ্দেশনা প্ৰদান কৰিব লাগে। বৰ্তমান বিপুল সংখ্যক যুৱ শক্তি অৱহেলিত আৰু উপেক্ষিত হৈ আছে। তেওঁলোকৰ শক্তিক সামাজিক অবিচাৰ আৰু অন্যায় প্ৰত্যাখ্যান কৰি জাতীয় কল্যাণ সাধনত প্ৰয়োগৰ পথ সুচল কৰি তুলিব পৰা যায়।

## যুৱ উচ্ছৃংখলতা প্ৰতিকাৰৰ উপায়বোৰ (Ways of Remedies for Youth Unrest)

ওপৰত আলোচনা কৰা যুৱ উচ্ছৃংখলাতৰ সমস্যাবোৰ নিৰাময় কৰিবৰ বাবে তলত দিয়া উপায়বোৰ অৱলম্বন কৰিব লাগে।

১। **শিক্ষা ব্যৱস্থা (System of Education) :** সাম্প্ৰতিক কালৰ ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাটোৰ সিদ্ধান্তধৰ্মী দিশৰ পৰিবৰ্তন কৰি ইয়াৰ বাস্তৱধৰ্মী দিশটোক গুৰুত্ব প্ৰদান কৰা উচিত। যাতে এনে শিক্ষা গ্ৰহণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কোনো সংগঠনত নিযুক্তি পোৱাৰ ক্ষেত্ৰত অসুবিধা নোহোৱাৰ লগতে স্বাৱলম্বীও হ'ব পাৰে। এই ক্ষেত্ৰত শিক্ষা ব্যৱস্থাটোৰ এক প্ৰণালীবদ্ধ ৰূপ দিয়াটো প্ৰয়োজন। ছাত্ৰসকলৰ অভিজ্ঞতা আৰু শিক্ষাদান ব্যৱস্থাৰ মাজত সম্পৰ্ক স্থাপন কৰাৰ ওপৰত গুৰুত্ব দিয়াও আৱশ্যক। তদুপৰি এনে শিক্ষা ব্যৱস্থাই যাতে ছাত্ৰ-ছাত্ৰীৰ ৰুচি অভিৰুচিৰ প্ৰতি দৃষ্টি ৰাখে তাৰ প্ৰতিও গুৰুত্ব দিব লাগে। শিক্ষানুষ্ঠানসমূহত পৰ্যাপ্ত পৰিমাণৰ সা-সুবিধা দিয়া উচিত। আৱাস গৃহৰ সুব্যৱস্থা, লাইব্ৰেৰীত কিতাপ, আলোচনীৰ যোগান, পৰীক্ষাগাৰৰ সা-সুবিধাৰ লগতে বিনোদনৰ মাধ্যম আৰু সহ-পাঠ্যক্ৰমৰ ওপৰতো গুৰুত্ব দিব লাগে। প্ৰচলিত শিক্ষা ব্যৱস্থাই যাতে নৈতিক শিক্ষাৰ ওপৰতো গুৰুত্ব দিয়ে তাৰ প্ৰতি দৃষ্টি ৰখা উচিত।

২। **নিযুক্তিৰ সুবিধা (Employment Opportunities) :** নিবনুৱা সমস্যাই যিহেতু যুৱ আন্দোলন আৰু উচ্ছৃংখলতা উদ্ভৱ হোৱাত প্ৰত্যক্ষভাৱে অৰিহণা যোগায়, সেয়ে চৰকাৰী অথবা বে-চৰকাৰী পৃষ্ঠপোষকতাত যুৱসকলৰ কৰ্মসংস্থাপনৰ দিশটোৰ প্ৰতি গুৰুত্ব দিয়া উচিত। এই ক্ষেত্ৰত,

কৃষি, ব্যৱসায়, অভিযন্তা, চিকিৎসা বিজ্ঞান, বাণিজ্য, পৰিচালন আদি পাঠ্যক্ৰম আৰু প্ৰশিক্ষণৰ সু-ব্যৱস্থা কৰাৰ আৱশ্যক। দেশখনত উদ্যোগ স্থাপনৰ বাবে চৰকাৰে নিজা পদক্ষেপ গ্ৰহণ কৰাৰ লগতে ক্ষুদ্ৰ উদ্যোগৰ বাবে যুৱকসকলক বিভিন্ন প্ৰকাৰে উৎসাহিত কৰা উচিত।

৩। **অৱসৰ সময়ৰ কাৰ্য ব্যৱস্থাৰ সুবিধা (Provision of Leisure Time Activities) :** ছাত্ৰ-ছাত্ৰীসকল বা যুৱক-যুৱতীসকল হ'ল দেশখনৰ মানৱ সম্পদ সৃষ্টি কৰাৰ প্ৰধান উৎস। এনে উৎসমূহক এলেহুৱা হোৱাৰ পৰিৱেশ সৃষ্টি নকৰি কাৰ্যক্ষম কৰি তোলাৰ বাবে সু-ব্যৱস্থা কৰা উচিত। অভিৰুচি ক্লাবঘৰ, সঙ্গীত, ফটোগ্ৰাফী, ডাক-টিকট সংগ্ৰহ, সাতোঁৰ আদিৰ দৰে চৰ্চা শিক্ষানুষ্ঠানসমূহত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজন তদুপৰি খেলাধূলা, শৰীৰচৰ্চা, নাট্যচৰ্চা, বনভোজ, শিক্ষামূলক ভ্ৰমণ আদিৰ ব্যৱস্থা কৰাটোও উচিত। কলা, সাহিত্য আদিৰ প্ৰতি অনুৰাগ বৃদ্ধি কৰিবৰ কাৰণে শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষৰ লগতে শিক্ষকসকলেও ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাত গুৰুত্ব দিব লাগে।

৪। **অৰ্থনৈতিক অসুবিধা নিৰাময় (Removing Economic Difficulities) :** দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া জলপানী, পাঠ্যপুথি, ধাৰত ধন, বিনামূলীয়াকৈ আবাসগৃহত থকাৰ সুবিধা আদি শিক্ষানুষ্ঠান-সমূহত বাধ্যতামূলক কৰাটো প্ৰয়োজন। অৰ্থনৈতিক সমস্যাত ভুগি যাতে কোনো ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা অসম্পূৰ্ণকৈ শিক্ষানুষ্ঠান এৰি যাব লগা নহয়, তাৰ কাৰণে চৰকাৰে গুৰুত্ব দিয়া উচিত। আনহাতে শিক্ষাৰ উন্নতিৰ কাৰণে আৱণ্টন জনোৱা চৰকাৰী ধনৰ যাতে অপব্যৱহাৰ নহয় তাৰ প্ৰতি চোকা দৃষ্টি ৰখা উচিত।

৫। **অনুশাসন (Discipline) :** ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আত্ম অনুশাসন বিকশাই তোলাৰ ব্যৱস্থা কৰিব লাগে কিয়নো ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী বিধৰ। অনুশাসনহীন আচৰণবোৰ বিভিন্ন কৌশলেৰে নিৰাময় কৰিব লাগে। এইক্ষেত্ৰত শিক্ষকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে।

৬। **দক্ষ নেতৃত্ব (Able Leadership) :** ছাত্ৰ-ছাত্ৰীসকলক দক্ষ নেতৃত্বৰ অতি প্ৰয়োজন। গণতান্ত্ৰিক দেশত নেতৃত্ব এক গুৰুত্বপূৰ্ণ বিষয়। সেয়ে বিদ্যালয় আৰু মহাবিদ্যালয়বোৰত নেতৃত্বদানৰ প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত ৰাজনীতিবিদসকলক অংশ গ্ৰহণ কৰিবলৈ দিব নালাগে।

৭। **ছাত্ৰৰ অংশ গ্ৰহণ (Students' Participation) :** শিক্ষানুষ্ঠান প্ৰশাসন, শিক্ষক আৰু ছাত্ৰসকলৰ মাজত থকা সম্পৰ্কৰ উন্নতি কৰা উচিত। বিশ্ববিদ্যালয় আৰু বিদ্যালয়সমূহৰ সমস্যাবোৰ যাতে ছাত্ৰ-ছাত্ৰীয়ে হৃদয়ঙ্গম কৰি তাক সমাধান কৰিবৰ কাৰণে প্ৰশাসনিক সহায় কৰিব পাৰে তাৰ বাবে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় পৰিষদত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধিত্বক মৰ্যাদা দিয়া প্ৰয়োজন।

৮। **ৰাজনৈতিক দলৰ ভূমিকা (Role of Political Parties) :** শিক্ষানুষ্ঠানৰ চৌহদৰ পৰা ৰাজনৈতিক দলবোৰক আঁতৰত ৰাখিব লাগে। ছাত্ৰ-ছাত্ৰীৰ ৰাজনৈতিক সজাগতা থাকিব লাগে কিন্তু ৰাজনৈতিক দলত সক্ৰিয় অংশ গ্ৰহণ শিক্ষানুষ্ঠানৰ পৰিৱেশ বিনষ্ট কৰিব। সেয়েহে

ছাত্রনেতা, শিক্ষক আৰু কর্তৃপক্ষই শিক্ষানুষ্ঠানৰ সুৰক্ষাৰ স্বাৰ্থত সক্রিয় ৰাজনৈতিক দলৰ প্ৰৱেশ ৰোধ কৰিব লাগে।

এইদৰে যুৱ-উচ্ছৃংখলতাৰ কাৰণবোৰ ৰোধ কৰিবৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। সমাজৰ দায়িত্বশীল সকলো লোকেই এইক্ষেত্ৰত দায়িত্ব গ্ৰহণ কৰিব লাগে।

## সামৰণি (Conclusion) ঃ

অপৰাধ প্ৰৱণতা, মাদক দ্ৰব্যৰ আসক্তি আৰু যুৱ উচ্ছৃংখলাতৰ দৰে সমস্যাবোৰ কেৱল আইনী ব্যৱস্থা আৰু চৰকাৰী প্ৰচেষ্টাৰ দ্বাৰা সমাধান কৰিব নোৱাৰি। চৰকাৰী আৰু বেচৰকাৰী সংস্থাবোৰে একেলগে এই সমস্যাবোৰ নিৰাময়ৰ বাবে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## প্ৰশ্নাৱলী

### (১) অতি চমু উত্তৰ দিয়া (Give very short answers)

(i) অপৰাধ প্ৰৱণতা কি?
What is delinquency?

(ii) অপৰাধ প্ৰৱণতাৰ এটা জৈৱিক কাৰণ উল্লেখ কৰা।
Mention one biological cause of delinquency.

(iii) ব্যক্তিগত অপৰাধ প্ৰৱণতা কি?
What is individual delinquency?

(iv) মাদক দ্ৰব্যৰ আসক্তিৰ এটা কাৰণ লিখা।
Write one cause of drug addiction.

(v) অপৰাধ প্ৰৱণতাৰ এটা বৈশিষ্ট্য লিখা।
Write one characteristic of delinquency.

(vi) যুৱ-উচ্ছৃংখলতাৰ এটা কাৰণ লিখা।
Write one cause of youth unrest.

### (২) শুদ্ধ নে অশুদ্ধ লিখা (Write true or false)

(i) Delinquency শব্দটো গ্ৰীক শব্দ 'delinquere' পৰা আহিছে।
The word 'delinquency' is derived from Greek word 'delinquere'.

(ii) বৌদ্ধিক দুৰ্বলতা অপৰাধ প্ৰৱণতাৰ এটা মানসিক কাৰণ।
One mental cause delinquency is intellectual weakness.

(iii) ভগ্ন পৰিয়াল অপৰাধ প্ৰৱণতাৰ এটা অৰ্থনৈতিক কাৰণ।
Broken family is an economic cause of delinquency.

(iv) অপৰাধ প্ৰৱণতা প্ৰাপ্তবয়স্ক কালৰ এক সমস্যা।
Delinquency is a problem of adulthood period.

(v) মাদক দ্ৰব্যৰ আসক্তি এক বাল্যকালৰ সমস্যা।
Drug addition is a childhood problem.

(vi) যুৱ উচ্ছৃংখলতাৰ এক কাৰণ হ'ল আসোঁৱাহ পূৰ্ণ শিক্ষা ব্যৱস্থা।
Defective education system is one cause of youth unrest.

## (৩) খালী ঠাই পূৰণ কৰা (Fill in the blanks)

(i) অপৰাধ প্ৰৱণতাক ——— অপৰাধ বুলিও কোৱা হয়।
Delinquency is known as ——— crime.

(ii) 'Delinquency' শব্দটো লেটিন ভাষাৰ ——— শব্দৰ পৰা আহিছে।
The word 'Delinquency' is derived from Latin word ———.

(iii) ——— আদালত হ'ল অপৰাধ প্ৰৱণতাৰ সংস্কাৰমূলক অনুষ্ঠান।
——— court is a reforming institution for delinquency.

(iv) ——— নামৰ গবেষকজনে পোন প্ৰথমে পৰিস্থিতি কেন্দ্ৰিক অপৰাধ প্ৰৱণতাৰ ধাৰণা বৰ্ণনা কৰিছিল।
The concept of situational delinquency was first described by researcher – ———.

(v) মাদক দ্ৰব্যৰ আসক্তি এক ——— সমস্যা।
Drug addiction is a ——— problem.

(vi) স্বতঃস্ফুৰ্ত ছাত্ৰ আন্দোলন হ'ল ——— ৰ এক প্ৰকাৰ।
Spontaneous students agitations is a cause of ———.

## (৪) চমু উত্তৰ দিয়া (Give short answers)

(i) অপৰাধ প্ৰৱণতাৰ সংজ্ঞা দিয়া।
Define delinquency.

(ii) অপৰাধ প্ৰৱণতা প্ৰতিৰোধৰ ক্ষেত্ৰত পৰিয়ালে গ্ৰহণ কৰিবলগীয়া দুটা ব্যৱস্থা উল্লেখ কৰা।
Mention two measures taken by family to prevent delinquency.

(iii) অপৰাধ প্ৰৱণতা প্ৰতিৰোধৰ ক্ষেত্ৰত বিদ্যালয়ে গ্ৰহণ কৰিবলগীয়া দুটা ব্যৱস্থা উল্লেখ কৰা।
Mention two measures taken by school by taken to prevent delinquency.

(iv) অপৰাধ প্ৰৱণতা প্ৰতিৰোধৰ ক্ষেত্ৰত সমাজে গ্ৰহণ কৰিবলগীয়া দুটা ব্যৱস্থা উল্লেখ কৰা।
Mention two measures taken by society to prevent delinquency.

(v) মাদক দ্ৰব্যৰ আসক্তি কি?
What is drug addiction.
(vi) যুৱ উচ্ছৃংখলতা মানে কি?
What is youth unrest?

**(৫) চমুটোকা লিখা (Write short notes)**

(i) অপৰাধ প্ৰৱণতা।
Delinquency.
(ii) দল সমৰ্থিত অপৰাধ প্ৰৱণতা
Group supported delinquency.
(iii) সংগঠিত অপৰাধ প্ৰৱণতা
Organised delinquency.
(iv) পৰিস্থিতিকেন্দ্ৰিক অপৰাধ প্ৰৱণতা
Situational delinquency.
(v) মাদক দ্ৰব্যৰ আসক্তি
Drug addiction
(vi) যুৱ-উচ্ছৃংখলতা
Youth unrest

**(৬) উত্তৰ লিখা (Write answers)**

(i) অপৰাধ প্ৰৱণতা কি? ইয়াৰ প্ৰকৃতি ব্যাখ্যা কৰা।
What is delinquency? Explain its nature.
(ii) অপৰাধ প্ৰৱণতাৰ প্ৰকাৰবোৰ বৰ্ণনা কৰা।
Explain the types of delinquency.
(iii) অপৰাধ প্ৰৱণতাৰ জৈৱিক, মনোবৈজ্ঞানিক আৰু সামাজিক কাৰণবোৰ আলোচনা কৰা।
Discuss the biological, psychological and social causes of delinquency.
(iv) অপৰাধ প্ৰৱণতাৰ সমস্যা সমাধানৰ উপায়বোৰ লিখা।
Write the way to solve the problems of delinquency.
(v) মাদক দ্ৰব্যৰ আসক্তিৰ কাৰণবোৰ লিখা। এই সমস্যা কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰি?
Write the causes of drug addiction. How to control this problem?
(vi) যুৱ-উচ্ছৃংখলতাৰ কাৰণবোৰ লিখা। যুৱ-উচ্ছৃংখলা প্ৰতিকাৰৰ উপায়বোৰ বৰ্ণনা কৰা।
Write the causes of youth unrest. Explain the ways to prevent youth unrest.

# গ্ৰন্থপঞ্জী

Aggarwal, J. C. (1996) : Essentials of Educational Psychology, Vikash Publishing House, New Delhi.

Aggarwalla, Sunita (2012) : Sociological Foundations of Education, Bookland, Guwahati

Barua, Jatin (2012) : Sikshar Manobigyan Bhittik Adhyayan, Aruan Prakashan, Guwahati.

Bhatia and Bhatia (2001) : A Textbook of Educational Psychology, Doaba House Booksellers and Publishers, Delhi.

Chanda, S.S. & Sharma, R. K. (2002) : Sociology of Education, Atlantic Publishers, New Delhi.

Chaube, S. P. (2002) : Psychology of Adolescents, Concept Publishing Company, New Delhi.

Chaube, S. P. (2011) : Developmental Psychology, Neelkamal Publications Pvt. Ltd., Hyderabad.

Chauhan, S. S. (1979) : Advanced Educational Psychology, Vikash Publishing House, New Delhi.

Choudhury, Girish Bala (2014) : Adolescence Psychology, PHI Learning Private Limited, Delhi.

Goswami, Devi & Kalita (2016) : Bikashita Manobignan, Shanti Prakashan, Guwahati.

Mangal, S. K. (2013) : Essentials of Educational Psychology, PHI Learning Private Limited, Delhi.

Pruitt, David B. (Ed.) (1999) : Your Adolescent, Harper Collins Publisher, New York.

Rao, C. N. Shankar (2005) : Sociology-Principles of Sociology with an introduction to Social Thought, S. Chand & Company, New Delhi.

Saikia, Jyotiprasad : Samajik Samasya, Banalata, Dibrugarh.

Saikia, Mukul (2015) : Developmental Psychology, Mani Manik Prakash, Guwahati

Sarma & Goswami (2014) : Developmental Psychology, Shanti Prakashan, Guwahati.

Sarma & Kalita (2014) : Sikshar Samajtatwik Dhara, Shanti Prakashan, Guwahati.

Yakaiah & Sunitha (2019) : Psychology of Childhood and Adolescence, Neelkamal Publications Pvt. Ltd., Hyderabad.

****